স্থান অধিকাৰ কৰি আছে। প্ৰেমমূলক বিহুগীতৰ কলি এটি হ'ল—

দিখৌ নৈ এৰিব    পাৰোঁ মই লাহৰী
জাঁজী নৈ এৰিব পাৰো;
তোমাৰে পীৰিতি    এৰিব নোৱাৰোঁ
নেখায়ো মৰিব পাৰোঁ।

এই গীতবোৰ বিশেষকৈ ডেকা-গাভৰুৰ মাজত প্ৰচলিত হ'লেও প্ৰত্যেক অসমীয়াৰ মুখত বিহুগীতৰ বিভিন্ন প্ৰকাৰসমূহ শুনিবলৈ পোৱা যায়। প্ৰকাৰ বুলিলে প্ৰধানকৈ মনত আহে হুঁচৰি গীতৰ কথা।

ন ঘৰ ঐ পুৰণি কামি
হুঁচৰি গাবলৈ আহিছো আমি।
হুঁচৰি বাই ঐ দলৌ চৰাই
ৰূপ চাৰি টকা তামোল-শৰাই।

এইদৰে নানা সু-কথাৰে হুঁচৰি গীতবোৰ ৰঙালী বিহুৰ সময়ত ঘৰে ঘৰে বিহুৱা ডেকাসকলে গাই গিৰিহঁতক বিহুৰ শুভেচ্ছা দিয়ে। সাধাৰণতে হুঁচৰি বুলিলে আমি ঢোল, পেঁপা, তাল আদিৰে সজ্জিত এদল গায়কক বুজো। তেওঁলোকে গৰু বিহুৰ দিনাখন হুঁচৰি আৰম্ভ কৰি বহাগ মাহৰ ১৫/১৬ দিনলৈকে ঘৰে ঘৰে বিহু মাৰি গৃহস্থক এজোলোকা আশীৰ্বাদ দি আহে। এই সামাজিক পদ্ধতিয়ে লোকসকলৰ মাজত মিলা-প্ৰীতি, বন্ধুত্ব ভাৱৰ প্ৰচাৰ কৰে। ৰাইজৰ পদধূলা পৰি গৃহস্থৰ ভগা পজা পৱিত্ৰ হয়, গোটেই বছৰটোৰ মাৰি-মৰক, উপচক্ৰ-অসুয়া আঁতৰি পৰস্পৰৰ মাজত মিলন নিজৰা বয়, আনন্দৰ সন্তোষ হাঁহি বিৰিঙি উঠে। ই অসমীয়া সংস্কৃতিৰ একতাৰ বান্ধ দৃঢ় কৰে। গতিকে ইয়াৰ গুৰুত্ব অসমীয়া সংস্কৃতিত অতুলনীয়।

বিহুগীতবোৰত প্ৰেমৰ প্ৰাধান্য থাকিলেও সেই প্ৰেমৰ মূল্য দেখুৱাবলৈ আধ্যাত্মিকবাদৰ আশ্ৰয় লোৱা দেখা যায়। বিহুগীতবোৰত ঈশ্বৰৰ প্ৰতি প্ৰবল দৃঢ় বিশ্বাস দেখা যায়। আৰু ইয়াৰ ফলত মানুহৰ মন স্থিৰ হয় আৰু সৎ হয়। ঈশ্বৰ প্ৰাধান্য সমৃদ্ধ এটি গীতৰ কলি হ'ল—

বিধি হৈ স্ৰজোতা    তেৱেঁ পালোতা
তেওঁৱে ওপৰত ভৰ
তোমাৰে মোৰে    যদি যোৱা আছে
তেৱেঁ পাতি দিব ঘৰ।

আগতেই উল্লেখ কৰা হৈছে যে বিহুগীতসমূহত প্ৰকৃতিৰ বৰ্ণনাও পোৱা যায়, যাৰ দ্বাৰা মানৱ জীৱনত প্ৰকৃতিৰ গুৰুত্বৰ বিষয়ে জানিব পাৰি। তাৰ উদাহৰণ স্বৰূপে এটি কলি হ'ল—

বাঁহৰে আগলৈ    চাই পঠিয়ালো
বাঁহৰ কোনেডালি পোন;
চেনাইৰে মুখলৈ    চাবকে নোৱাৰি
যেন পূৰ্ণিমাৰ জোন।

বিতংভাৱে বিহুগীতৰ এটি আৱশ্যকীয় অংশৰ বিষয়ে এতিয়ালৈ উল্লেখ কৰা হোৱা নাই। সেয়া হ'ল ঢোল, পেঁপা, গগনা, টকা আদি। এই বাদ্যযন্ত্ৰবোৰৰ অবিহনে বিহুগীত অসম্পূৰ্ণ। বিহুগীতৰ জৰিয়তে ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিব পাৰি।

ম'হৰ শিঙৰ পেঁপাটি    নবজাবা ককাইটি
মোৰে মন উৰুঙা কৰে;
পেঁপাৰ মাতে শুনি    ৰবকে নোৱাৰোঁ
হাতৰ বনে সৰি পৰে।

ওপৰোক্ত বিহুগীতৰ কলিকেইটাত চাবলৈ গ'লে বিহুগীতবোৰ নঙঠা ভাষাৰে অমাৰ্জিত ৰুচিৰে বোলাই যোৱা যেন লাগে। কিন্তু তাৰ মাজতো গভীৰভাৱে চালে পোৱা যায় গভীৰ চিন্তাশীল ব্যক্তিৰ তত্বমূলক কথা। এই গীতবোৰেই আমাৰ জাতীয় সাহিত্যৰ ভেটি। পৃথিৱীৰ যিকোনো ঠাইতে বিহুৰ দ্বাৰাহে অসমীয়াৰ চিনাকি। অসমীয়া জাতীয় সাহিত্য ঠন ধৰি থিয় হৈ থাকিবলৈ এনেবোৰ জনসাহিত্যৰ ভেটি দৃঢ় হোৱাটো বাঞ্ছনীয়। জাতীয় জীৱনৰ পুৰণি সভ্যতা আৰু সংস্কৃতি এনে গীতবোৰৰ মাজতেই সিঁচৰতি হৈ পৰি আছে। গতিকে আমাৰ অসমীয়া সংস্কৃতিত এই বিহুগীতৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

চুটিগল্পত এটা মাত্ৰ মূল ভাব থাকিব লাগিব আৰু সেই ভাবটোকে একান্তভাৱে একমুখী কৰি প্ৰকাশ কৰিব লাগিব। লক্ষ্যৰ একমুখিতা আৰু ফলশ্ৰুতিৰ একমুখিতাই চুটিগল্পৰ বিশেষত্ব।

—ডব্লিউ. এইছ. হাডছন

# সত্ৰৰ সংজ্ঞা, গঠন আৰু শ্ৰেণীবিভাজন

**শ্ৰীজ্যোতিপ্ৰসাদ দাস**
স্নাতক ১ম বৰ্ষ (কলা)

মধ্যযুগত প্ৰতিষ্ঠিত সত্ৰসমূহ হ'ল সামূহিক উপাসনা গৃহ তথা বৈষ্ণৱ ধৰ্ম-চৰ্চাৰ কেন্দ্ৰস্থল। প্ৰাক্-শংকৰী যুগত অসমৰ তান্ত্ৰিক বৌদ্ধসকলৰ মাজত বৌদ্ধ বিহাৰ নামৰ সামূহিক উপাসনা গৃহৰ অস্তিত্ব আছিল। সত্ৰ বা নামঘৰ কেৱল উপাসনা গৃহই নহয়, ই এটা জাতীয় অনুষ্ঠান।

অসমীয়া 'সত্ৰ' শব্দটো সংস্কৃতৰ পৰা অহা। ইয়াৰ অৰ্থ দীৰ্ঘকালীন যজ্ঞ। বৈদিক সাহিত্যত তিনিবিধ যজ্ঞৰ কথা কোৱা হৈছে— একাহ, অহীন আৰু সত্ৰ যজ্ঞ। যিবোৰ যজ্ঞ একেদিনতে সম্পন্ন হৈছিল তাক 'একাহ' যজ্ঞ বোলা হৈছে। যিবোৰ যজ্ঞ এদিনতকৈ বেছি কিন্তু বাৰ দিনতকৈ কম দিন ধৰি চলিছিল তাক 'অহীন' যজ্ঞ বোলা হৈছে। আনহাতে, যিবোৰ যজ্ঞ বাৰ দিনতকৈ অধিক কাল ব্যাপি অনুষ্ঠিত হৈছিল সেইবোৰক কোৱা হৈছিল 'সত্ৰ যজ্ঞ'। 'সত্ৰ' শব্দটো শংকৰদেৱ আৰু মাধৱদেৱে ব্যৱহাৰ কৰা দেখা নাযায়। তেওঁলোকৰ ৰচনাটো এই শব্দটোৰ প্ৰয়োগ নাই। 'সত্ৰ'ৰ সলনি গুৰু দুজনাই 'কীৰ্তনঘৰ' বা 'নামঘৰ' শব্দ দুটাহে ব্যৱহাৰ কৰিছিল। বৈষ্ণৱ সাহিত্যৰ ভিতৰত 'সত্ৰ' শব্দটোৰ প্ৰথম প্ৰয়োগ দেখা যায় অনন্ত কন্দলিৰ 'বৃত্ৰাসুৰ বধ' কাব্যত। সত্ৰ হ'ল একনিষ্ঠ বৈষ্ণৱ ভক্তসকলে নৱবিধ ভক্তিৰ (শ্ৰৱণ, কীৰ্তন, স্মৰণ, পাদসেৱন, অৰ্চন, বন্দন, দাস্য, সখ্য আৰু আত্মনিবেদন) আচৰণ কৰাৰ সংযোগ স্থল।

**সত্ৰৰ গঠন প্ৰণালী ঃ** সত্ৰ এটা নিৰ্দিষ্ট গঠন প্ৰণালী আছে। এই প্ৰণালী কেইবাটাও শাখাত বিভক্ত— মণিকূট, নামঘৰ বা কীৰ্তনঘৰ, হাটী, অক্ষয়বন্তি, পাদশিলা, আসন, কৰাপাট, সিংহদ্বাৰ আদিৰে পূৰ্ণাঙ্গ সত্ৰ এখন গঢ় লৈ উঠে। সত্ৰৰ গৃহ নিৰ্মাণ প্ৰণালীৰ প্ৰধান অংশ হ'ল মণিকূট। মণিকূটৰ অন্য নাম হ'ল ভাজঘৰ। এই ঘৰটো সাধাৰণতে ধেনুভেৰীয়া আৰু ই কীৰ্তন ঘৰটোৰ পথালিকৈ পূব প্ৰান্তত অৱস্থিত। সত্ৰৰ বিগ্ৰহৰ পূজা-অৰ্চনা থাপনা মণিকূটত কৰা হয়।

মণিকূটৰ পিছতে নামঘৰ বা সমূহীয়া প্ৰাৰ্থনা ঘৰ। সাধাৰণতে ই পূবা-পশ্চিমাকৈ থাকে। কীৰ্তনঘৰৰ দুয়োফালে থাকে দুখন আহল-বহল বাৰাণ্ডা। কীৰ্তনঘৰৰ খুঁটাবোৰ বৰ ডাঙৰ। কীৰ্তনঘৰত প্ৰাৰ্থনা, ভাগৱত পাঠ, নামপ্ৰসঙ্গ অনুষ্ঠিত হয়।

হাটী হ'ল ভকতসকলৰ বাসস্থান বা থকা ঠাই। সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ, কেউলীয়া, ভকত আদি থাকিবলৈ সত্ৰৰ চৌহদত চাৰিশাৰী ঘৰ থাকে। ইয়াকে কোৱা হয় 'চাৰি হাটী'। পূৰ্ণাঙ্গ সত্ৰ একোখনত চাৰিটাকৈ হাটী থাকিব লাগে। কিন্তু, বেছিভাগ সত্ৰতে চাৰিহাটী দেখিবলৈ পোৱা নাযায়।

'অক্ষয়বন্তি' সত্ৰৰ আন এক অপৰিহাৰ্য অঙ্গ। অক্ষয়বন্তি হ'ল মিঠাতেলৰ চাকি। ইয়াৰ প্ৰধান বৈশিষ্ট্য হ'ল— এই বন্তিৰ কোনো ক্ষয় নাই অৰ্থাৎ, এই চাকি কেতিয়াও নুমুৱাব নালাগে। দিন-ৰাতি অহৰ্নিশে ই জ্বলি থাকে। হঠাৎ কেতিয়াবা নুমাই গ'লে মূল সত্ৰৰ পৰা যথাবিহীত নিয়মেৰে জুই বন্তি কঢ়িয়াই আনি জ্বলোৱা হয়। পাদশিলা হ'ল মহাপুৰুষ দুজনাৰ স্মৃতি-চিহ্ন। কিছুমান সত্ৰত পাদশিলা ঘৰটোৰ ওপৰতে মঠ নিৰ্মিত হৈছে। আনহাতে, সত্ৰৰ প্ৰধান প্ৰৱেশ পথত বাটচ'ৰা একোটা থাকে। ইয়াকে 'কৰাপাট' বুলিও কোৱা হয়। এইবোৰৰ উপৰিও ভালেমান সত্ৰত ভঁৰাল ঘৰ, ছো-ঘৰ, দৌল মন্দিৰ, পুখুৰী, পকীকুঁৱা আদি দেখিবলৈ পোৱা যায়। আনহাতে মণিকূট অথবা কীৰ্তন ঘৰত গুৰু আসন বা সিংহাসন সত্ৰৰ এক অপৰিহাৰ্য অঙ্গ। এইদৰে আলোচনা কৰিলে দেখা যায় যে, বৈষ্ণৱ ধৰ্মৰ উপাসনা -স্থল সত্ৰৰ এটা সুকীয়া তথা নিৰ্দিষ্ট গঠন প্ৰণালী আছে। সকলোবোৰ সত্ৰই এই গঠন প্ৰণালী মানি চলি প্ৰতিষ্ঠা কৰা দেখা যায়।

**সত্ৰৰ শ্ৰেণীবিভাজন ঃ** প্ৰকৃতি অনুসৰি সত্ৰসমূহক তিনিটা প্ৰধান ভাগত ভগাব পাৰি— উদাসীন, অৰ্দ্ধ উদাসীন আৰু গৃহস্থী। যিবোৰ সত্ৰ কেৱল উদাসীন বা কেৱলীয়া ভকতৰ বাসস্থান, যিবোৰ সত্ৰৰ চৌহদত গৃহস্থী জীৱন-যাপন কৰিবলৈ দিয়া নহয়, য'ত নাৰী ৰাতি বাস কৰিব নোৱাৰে; কেৱল ঈশ্বৰ চিন্তা আৰু উপাসনা, পূজা-পাতল আদি ভকতৰ লক্ষ্য তাকে উদাসীন সত্ৰ বোলে। যেনে— আউনীআটী, দক্ষিণপাট উদাসীন সত্ৰৰ অন্তৰ্গত। যিবোৰ সত্ৰত উদাসীন আৰু গৃহস্থী দুয়োধৰণৰ ভকত থাকে তাকে অৰ্দ্ধ উদাসীন সত্ৰ বোলে। বৰপেটা সত্ৰ অৰ্দ্ধ-উদাসীন সত্ৰৰ নিদৰ্শন। আনহাতে, যিবোৰ সত্ৰৰ সত্ৰীয়া বা ভকতসকলে আন দহজনৰ দৰে সাংসাৰিক জীৱন-যাপন কৰে তাক গৃহস্থী সত্ৰ বোলে। আমাৰ অসমৰ বেছিভাগ সত্ৰই এই শ্ৰেণীৰ সত্ৰ। এনেবোৰ সত্ৰত ভকতসকলে হাটীত নাথাকে বাবে এই শ্ৰেণীৰ সত্ৰৰ বেছিভাগতে হাটীৰ ব্যৱস্থা নাই।

সত্ৰসমূহ কেনেকৈ সৃষ্টি হ'ল— তাকে ভিত্তি হিচাপে লৈ সত্ৰক আন প্ৰকাৰে তিনিটা ভাগত বিভক্ত কৰা হৈছে— মূলসত্ৰ, আজ্ঞাপৰ সত্ৰ আৰু শলাবন্তি সত্ৰ। যিকেইখন সত্ৰ মহাপুৰুষ দুজনাই

নিজে স্থাপন কৰিছিল তাক 'মূলসত্ৰ' বুলি জনা যায়। যেনে— বৰদোৱা, বৰপেটা আদি এই শ্ৰেণীৰ সত্ৰ। আনহাতে যিবিলাক সত্ৰ গুৰুৰ আদেশত প্ৰতিষ্ঠা কৰিছিল সেইবোৰক কোৱা হয় 'আজ্ঞাপৰ সত্ৰ'। ছমৰীয়া সত্ৰ এই শ্ৰেণীৰ সত্ৰ। ঠিক তেনেদৰে যিবোৰ সত্ৰ মূল সত্ৰৰ পৰা বন্তি আনি স্থাপন কৰা হৈছে সেইবোৰক কোৱা হয় 'শলাবন্তি সত্ৰ'। ভালুকঘাটা এই শ্ৰেণীৰ সত্ৰ।

**সত্ৰৰ চাৰি সংহতি ঃ** মহাপুৰুষ শংকৰদেৱৰ পিছত অসমৰ বৈষ্ণৱ সম্প্ৰদায় চাৰিটা ভাগত বিভক্ত হৈ পৰিল। ইয়াকে চাৰি সংহতি বুলিও কোৱা হয়। সেই সংহতিকেইটা হ'ল— ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, নিকা সংহতি আৰু কাল সংহতি।

ব্ৰহ্ম সংহতি বুলি ক'লে সাধাৰণতে যিকেইখন সত্ৰত ব্ৰাহ্মণ অধিষ্ঠিত আছিল, সেইকেইখন সত্ৰকে ব্ৰহ্ম সংহতি সত্ৰ বুলি কোৱা হয়। হৰিদেৱ আৰু দামোদৰদেৱ আছিল এই শ্ৰেণী সত্ৰৰ নেতৃত্ব প্ৰদানকাৰী বিষয়া। আউনীআটী, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহী— এইকেইখন হৈছে ব্ৰহ্ম সংহতিৰ সত্ৰ।

আনহাতে, পুৰুষাণুযায়ী অৰ্থাৎ শংকৰদেৱৰ জীয়ৰী ন্যাতিৰ কালৰ পৰা অহা সত্ৰকেইখন পুৰুষ সংহতি নামেৰে জনা যায়। নৰোৱা, কোৱামৰা, দীঘলী আৰু চামগুৰি এই চাৰিখন সত্ৰ পুৰুষ সংহতিৰ অন্তৰ্গত।

মথুৰা দাস, বুঢ়া আতা আৰু গোপাল মিশ্ৰৰ লগত চতুৰ্ভুজ ঠাকুৰৰ মনোমালিন্যৰ ফলস্বৰূপে মথুৰা দাসৰ সহযোগীসকলে ফালৰি কাটি আহি নিকা বা নিষ্ঠা সংহতিৰ সৃষ্টি কৰে। আগতে এওঁলোক পুৰুষ সংহতিৰ ভিতৰুৱা আছিল। নিকা সংহতিৰ প্ৰধান সত্ৰকেইখন হ'ল— বৰপেটা, মধুপুৰ আৰু কমলাবাৰী।

শংকৰদেৱৰ নাতি অনিৰুদ্ধদেৱৰ লগত গোপাল আতাৰ মতভেদ ঘটাত আন এটি সংহতিৰ সৃষ্টি হয়। সেই সংহতিকে কোৱা হয় কাল সংহতি। গোপাল আতাৰ মূল সত্ৰ আছিল কালজাৰ সত্ৰ। এই কালজাৰৰ পৰাই এই সংহতিটোৰ নাম হয় 'কাল সংহতি'।

যিকোনো বস্তু এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰচণ্ড ভূমিকম্পলৈকে— সূৰ্যৰ পোহৰত দেখা প্ৰতিটো বস্তুৱেই চুটিগল্পৰ বিষয় হ'ব পাৰে।

—এইচ. ই. বে'টছ

# গণতান্ত্ৰিক উপায়েৰে আমাৰ জ্বলন্ত সমস্যাসমূহৰ সমাধান সম্ভৱ

শ্ৰীদিগন্ত ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

অসম ভাৰতবৰ্ষৰ এক অংগৰাজ্য। ১৯৪৭ চনত ১৫ আগষ্টৰ দিনা ভাৰতবৰ্ষই স্বাধীন দেশ হিচাপে স্বীকৃতি লাভ কৰে। ভাৰত স্বাধীন কৰা বহুতো বীৰ-মহাৰথীৰ ভিতৰত আমাৰ অসমৰ বীৰ-মহাৰথীসকলেও প্ৰত্যক্ষভাৱে সহযোগিতা আগবঢ়াইছিল। সেই মহাৰথীসকলৰ অন্যতম আছিল কুশল কোঁৱৰ, কণকলতা আদি স্বদেশপ্ৰেমীসকল। অসমৰ এই মহাৰথীসকলৰ প্ৰধান উদ্দেশ্য আছিল আমাৰ সোণৰ অসমখন বৃটিছৰ কবলৰ পৰা মুক্ত কৰা আৰু অসমত বসবাস কৰা সকলো জনগোষ্ঠীয়ে যাতে জাতি-বৰ্ণ-নিৰ্বিশেষে জীৱন-যাপন কৰিব পাৰে তাৰবাবে যথোচিৎ ব্যৱস্থা গ্ৰহণ কৰা।

বৰ্তমান ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা প্ৰায় ৬০ বছৰ হ'ল। অতীজৰ অসমৰ অৱস্থা এতিয়া ভয়াবহ, য'ত এতিয়া অসমত স্বদেশপ্ৰেমী লোক বিচাৰি পোৱা অসম্ভৱ। আনহাতে বিভিন্ন ঠাইৰ পৰা অহা লোকে অসমত বসবাস কৰিবলৈ লোৱাত জনসংখ্যাও বৃদ্ধি হ'ল। এতিয়া অসম বিভিন্ন জাতি-জনজাতিৰ দ্বাৰা পৰিপূৰ্ণ হৈ পৰিছে। অসমত যেনেদৰে দ্ৰুতগতিত জনসংখ্যা বৃদ্ধি হৈ আছে তেনেদৰে বিভিন্ন সমস্যাই অসমবাসীক জুৰুলা কৰি পেলাইছে। অসমভূমি এতিয়া হত্যা, হিংসা, ধৰ্ষণ, লুণ্ঠন, নিৰ্যাতন আদি সমস্যাৰ দ্বাৰা জৰ্জৰিত। অসমৰ প্ৰত্যেকজন ব্যক্তি নিজ মাতৃভূমিতে এতিয়া মুকলি মনেৰে ঘূৰি ফুৰিব নোৱাৰে। প্ৰত্যেক অসমবাসীয়ে বুকুত ভয়ৰ বোজা কঢ়িয়াই ফুৰিবলগীয়া হৈছে। কিয়নো অসমত এতিয়া কোন ঠাইত, কোন সময়ত কি হয় একেবাৰেই ক'ব নোৱাৰি। স্বাধীনতাৰ কালছোৱাত অসমত কেৱল ইংৰাজসকলৰ বিৰুদ্ধেহে বোমা বিস্ফোৰিত হৈছিল; কিন্তু এতিয়া অসমত অসমবাসীয়ে বিভিন্ন ঠাইত বোমা পুতি অসংখ্য লোকৰ প্ৰাণ ললে। এই স্ব-ৰাজ্যৰ প্ৰতি অকণো দয়া নথকা অসুৰ সদৃশ লোকবোৰে জাতিৰ পিতা মহাত্মা গান্ধীৰ "অহিংসাই পৰম ধৰ্ম" বোলা কথাষাৰ মানি নচলি তাৰ বিপৰীতে পৰিচালিত হোৱা দেখা যায়।

অসমৰ এই অচলাৱস্থা দেখি কোনো অসমীয়াই ইয়াৰ সমাধানৰ পথ মুকলি কৰিবলৈ আগবাঢ়ি অহা নাই। আজি অসমীয়া সমাজত বসবাস কৰা কোনো লোকৰে গাত স্বদেশপ্ৰেমৰ তেজ এটোপালো নাই নেকি? কিন্তু কিয় বৰ্তমান সেই স্বাধীনতা সংগ্ৰামীসকল নাথাকিলেও, সেই ব্যক্তিসকলৰ মহৎ গুণবোৰ আজিৰ অসমীয়াই গ্ৰহণ কৰিব নোৱাৰে নেকি? অসমত দেখা দিয়া হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ, নিৰ্যাতন আদি সমস্যাবোৰ নাইকিয়া কৰিবৰ বাবে অসমত বসবাস কৰা প্ৰতিজন অসমীয়াই সহযোগিতা আগবঢ়াব লাগিব; কাৰণ একতাৰ সমান এই পৃথিৱীত ডাঙৰ শক্তি একেবাৰেই নাই। আমি ঐক্যবদ্ধভাৱে আৰু শান্তিপূৰ্ণ উপায়েৰে সমস্যাৰ সমাধানৰ পথ উলিয়াব লাগিব।

আনহাতে, অসমৰ যিসকল যুৱক-যুৱতীয়ে ৰাজ্যৰ উন্নতিৰ বিপক্ষে পৰিচালিত হৈ আছে সেইসকলে ৰাজ্যৰ উন্নতিৰ বাবেহে মনোনিবেশ কৰা উচিত। কাৰণ নিজৰ পিতৃ-মাতৃ, ভাই-ভনীক হত্যা কৰি বীৰত্ব দেখুওৱাৰ কোনো মূল্য নাথাকে। বিজ্ঞানৰ দ্বাৰা আৱিষ্কৃত বন্দুক-পিষ্টল, বোমা-বাৰুদ ব্যৱহাৰ কৰি জনসাধাৰণৰ প্ৰাণ লৈ কোনো লোকে জীৱনত উন্নতি কৰিব নোৱাৰে বা কোনো উদ্দেশ্য সাধন কৰিব নোৱাৰে। অসমৰ ভয়াবহ উগ্ৰপন্থী সমস্যাৰ মূল উদ্‌ঘাটন কৰিব পাৰিলেহে আমাৰ জ্বলন্ত সমস্যাৰ সমাধান সম্ভৱ হ'ব।

> জীৱনক বিচিত্ৰ প্ৰকাশৰ পৰা আৰু এক বিচিত্ৰ প্ৰকাশলৈ নিয়াই আৰু এই পৃথিৱীৰ জীৱনক আনন্দময় কৰি তোলাই সংস্কৃতিৰ লক্ষ্য।
>
> — জ্যোতিপ্ৰসাদ আগৰৱালা

# স্কুল-কলেজত ইংৰাজী শিক্ষা

শ্ৰীমৃগেন শৰ্মা
প্ৰাক্তন অধ্যাপক, ইংৰাজী বিভাগ

স্কুল-কলেজত ইংৰাজী বাধ্যতামূলক বিষয় হিচাপে ছাত্ৰ-ছাত্ৰীক শিকোৱা হয়। ইংৰাজসকলৰ মাতৃভাষা ইংৰাজী আমাৰ দেশৰ স্কুল-কলেজসমূহত প্ৰৱৰ্তন কৰা হয় বৃটিছ চৰকাৰৰ শাসন কালত। আমাৰ দেশ ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছতো ইংৰাজী ভাষাক পৰিত্যাগ কৰা নহ'ল এই কাৰণে যে ই এক চহকী আৰু আন্তৰ্জাতিক ভাষা। আনহাতে আমাৰ দেশ ভাৰতবৰ্ষত বাস কৰা মানুহৰ ভাষা, ৰাজ্য বা অঞ্চল অনুসৰি বেলেগ বেলেগ। অসমৰ অসমীয়া ভাষা। ঠিক তেনেদৰে পশ্চিমবঙ্গৰ বঙালী, পঞ্জাৱৰ পঞ্জাবী, বিহাৰ, উত্তৰপ্ৰদেশ আদিৰ হিন্দী আৰু দাক্ষিণাত্যৰ মালয়ালম, কানাড়ী, মাৰাঠী ইত্যাদি। এনে বহুভাষী মানুহৰ মাজত একমাত্ৰ ইংৰাজী আৰু হিন্দী ভাষাৰ যোগেদিহে ভাৱৰ আদান-প্ৰদান সম্ভৱপৰ হৈ উঠিছে। হিন্দী ৰাষ্ট্ৰভাষা হয় যদিও দাক্ষিণাত্যত এই ভাষাৰ প্ৰচলন তেনেই সীমিত। এনেস্থলত ইংৰাজী ভাষাৰ গুৰুত্ব আৰু তাৎপৰ্য নুই কৰিব নোৱাৰি। দিনকদিনে ইংৰাজী ভাষাৰ প্ৰচলন সৰ্বব্যাপক হৈ উঠিছে সেয়ে স্কুল-কলেজত এই ভাষা ভালদৰে নিজে শিকা আৰু ছাত্ৰ-ছাত্ৰীক শিকোৱা অতি প্ৰয়োজনীয় হৈছে।

প্ৰথমাৱস্থাত বা স্বাধীনোত্তৰ যুগৰ প্ৰথমছোৱাত ইংৰাজী ভাষা শিকা আৰু শিকোৱাত নিষ্ঠাৰ অভাৱ নাছিল। আমি আগৰচাম ব্যক্তিসকলে ছাত্ৰাৱস্থাত ইংৰাজী নিষ্ঠাৰে আৰু মনোযোগেৰে শিকিছিলো। আমাৰ শিক্ষাগুৰুসকলেও ইংৰাজী ছাত্ৰ-ছাত্ৰীক নিষ্ঠাৰে শিকাইছিল। ইংৰাজীত দুৰ্বল ছাত্ৰ-ছাত্ৰীক ভাষাটো ভালদৰে শিকোৱাত তেওঁলোক যত্নপৰ হৈছিল আৰু প্ৰয়োজনবোধে কঠোৰতা অৱলম্বনো কৰিছিল। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী ভাষা জ্ঞান বেয়া নাছিল। মনকৰিবলগীয়া কথা এয়ে যে তেতিয়াৰ দিনত ইংৰাজীত ৰাপ থকা শিক্ষকে বা শিক্ষয়িত্ৰীয়ে উচ্চ শ্ৰেণীসমূহত ইংৰাজী শিকোৱাৰ দায়িত্ব বহন কৰিছিল। আনহাতে তেতিয়া ইংৰাজী ভালদৰে জনা বা ইংৰাজী সলসলীয়াকৈ কোৱা মানুহক সকলোৰে শ্ৰদ্ধা আৰু সন্মান কৰিছিল। নিম্ন শ্ৰেণীসমূহতো অভিজ্ঞ বা প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক শিকোৱাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলৰ ইংৰাজীৰ জ্ঞান ভাল আছিল।

কিন্তু দিন বাগৰি যোৱাৰ লগে লগে স্কুল-কলেজত ইংৰাজী ভাষা শিকাত ছাত্ৰ-ছাত্ৰীসকলৰ নিষ্ঠাৰ অভাৱ পৰিলক্ষিত হয়। আনহাতে শিক্ষাৰ মাধ্যম মাতৃভাষা আৰু মাতৃভাষাৰ বাহিৰে আন বিষয়সমূহৰ প্ৰশ্নৰ উত্তৰ ইংৰাজীৰ পৰিবৰ্তে মাতৃভাষাত লিখা প্ৰৱৰ্তন কৰাৰ পৰা ইংৰাজীৰ জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ নিম্নগামী হ'ল বুলি ক'ব পাৰি। মাতৃভাষাৰ লগতে ইংৰাজী ভাষা শিক্ষাৰ মাধ্যম বা প্ৰশ্নোত্তৰসমূহ ইংৰাজীতে লিখাৰ বিকল্প ব্যৱস্থা থাকিল যদিও, ই এপাচি শাকত এটা জালুকহে হ'ল। ফলস্বৰূপে ইংৰাজী ভাষা ভালদৰে বা নিষ্ঠাৰে শিকাত অনীহা দেখুৱা বা আগ্ৰহ নথকাৰ ভাৱ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিলক্ষিত হয়।

হাইস্কুলসমূহত ইংৰাজী ভাষা ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমে শিকোৱা হয়। নিম্নশ্ৰেণীৰ পৰা উচ্চ শ্ৰেণীলৈ এই ভাষা শিকোৱা হয়। সেয়ে স্কুলৰ স্তৰত ইংৰাজী শিকোৱাৰ দায়িত্ব বৰ বেছি। গছ এজোপাক শিপাই ধৰি ৰাখে। শিপা যিমানে দৃঢ় হয়, গছজোপাও সিমানে মজবুত হয়। সেয়ে ইংৰাজী ভাষাৰ মূল বা প্ৰাথমিক জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ স্কুলৰ স্তৰতে পৰিপক্ক হোৱাটো অতি প্ৰয়োজনীয়। কিন্তু বৰ্তমান বিদ্যালয়সমূহত ইয়াৰ ওলোটা ছবিহে পৰিলক্ষিত হৈছে। বেছিসংখ্যক স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী ভাষাৰ জ্ঞান অতি দুখলগা। অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী ইংৰাজীত দুৰ্বল হোৱা হেতুকে সিহঁতে টিউছনলৈ ঢাপলি মেলে। টিউছনতো অতি সীমিত জ্ঞান লৈ অহা ছাত্ৰ-ছাত্ৰীৰ অধিকাংশই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কলেজত ভৰ্তি হয়। কলেজৰ স্তৰত ইংৰাজীত দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলৰ অৱস্থা কোনোমতে নদী সাঁতুৰি পাৰ হৈ সাগৰত পৰাৰ দৰে হয়। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাংশই পুনৰ 'টিউছন'ৰ সহায় লৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ কাৰণে উঠি-পৰি লাগে। তাৰে কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক শ্ৰেণীৰ দেওনা পাৰ হ'বলগীয়া হয়। স্নাতক শ্ৰেণীত মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাই উত্তীৰ্ণ হ'ব পাৰে। অধিকসংখ্যক ছাত্ৰ-ছাত্ৰী ইংৰাজীত দুৰ্বল হোৱা হেতুকে অকৃতকাৰ্য হয়।

ছাত্ৰ-ছাত্ৰীসকলৰ বেছিভাগৰে ইংৰাজী জ্ঞান অতি সীমিত বা দুখ-লগা হোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰা অতি প্ৰয়োজন। মন কৰিবলগীয়া কথা এয়ে যে ছাত্ৰ-ছাত্ৰীসকলৰ ইংৰাজী শিকাত নিষ্ঠাৰ অভাৱ বেছিভাগৰে দেখা যায়। আনহাতে বিদেশী ভাষা ইংৰাজী শিকাত যি শ্ৰম আৰু অধ্যয়ন লাগে সেইখিনিও বেছিভাগৰে নাই। কোৱা বাহুল্য যে ঘৰত অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী পঢ়িলেও

সু-পৰিচালনাৰ অভাৱত ভাষাটোৰ ভাল জ্ঞান আয়ত্ব কৰাত সিহঁত বিফল হয়। অপ্ৰিয় সত্য হ'লেও ক'ব লাগিব যে ইংৰাজী মাধ্যমৰ স্কুলতকৈ অসমীয়া মাধ্যমৰ ছাত্ৰী-ছাত্ৰীসকলৰ অধিকাংশই ইংৰাজী বাক্য বা প্ৰবন্ধ এটি শুদ্ধকৈ পঢ়িব নোৱাৰে। পঢ়িলেও শব্দৰ উচ্চাৰণত ভুল কৰা শুনা যায়। আনকি কিছুমান ইংৰাজী শব্দৰ উচ্চাৰণ অদ্ভুত ধৰণে কৰে। আনহাতে কেতবোৰ সাধাৰণ শব্দ বা প্ৰায়ে প্ৰচলিত শব্দৰ অৰ্থও নাজানে। টান শব্দসমূহৰ বানানত অজ্ঞতাৰ পৰিচয়ো দিয়ে। ইয়াৰ কাৰণ হ'ল শ্ৰেণীত প্ৰতিগৰাকী ছাত্ৰ বা ছাত্ৰীক পাঠ্য কিতাপত থকা পাঠ এটিৰ বাক্যসমূহ শুদ্ধকৈ পঢ়িবলৈ দিয়া নহয়। পঢ়িবলৈ দিয়া হলেও শব্দসমূহৰ ভুল উচ্চাৰণৰ প্ৰতি সিহঁতৰ দৃষ্টি আকৰ্ষণ কৰা নহয় আৰু সেইবোৰৰ অৰ্থও ভালদৰে বুজাই দিয়া নহয়। অপ্ৰিয় সত্য হলেও ক'ব লাগিব যে বেছিভাগ ক্ষেত্ৰতে শিক্ষকে পাল মাৰি পাঠ্যক্ৰমত থকা পাঠ এটি খৰধৰকৈ পঢ়ি তলৰ প্ৰশ্নসমূহৰ কেইটামানৰ উত্তৰ আলোচনা কৰি বা সেইবোৰৰ নোট লিখাই দি নিজ কৰ্তব্য সমাপন কৰে। অৱশ্যে স্বীকাৰ্য যে প্ৰতিগৰাকী ছাত্ৰ বা ছাত্ৰীক শব্দৰ উচ্চাৰণ, বানান, বাক্যবোৰ পাঠ আদি কৰিবলৈ দিয়া কাৰ্যক্ষেত্ৰত সম্ভৱপৰ নহয়, কাৰণ সময় কম আৰু আনহাতে অতি কম শিক্ষাকালৰ ভিতৰতে পাঠ্যক্ৰমত থকা পাঠসমূহ শেষ কৰিব লাগিব। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী ভাষাজ্ঞান অতি দুখলগা হয়। আনহাতে ইংৰাজী ব্যাকৰণৰ জ্ঞান ছাত্ৰ-ছাত্ৰীৰ অতি সীমিত বুলি ক'ব পাৰি। পাঠ্যক্ৰমত থকা ব্যাকৰণৰ প্ৰতিটো বিষয় খৰচি মাৰি আলোচনা কৰিব লাগে। নিয়মসমূহ ছাত্ৰ-ছাত্ৰীক ভালদৰে বুজাই দিয়া অতি প্ৰয়োজন। প্ৰতিটো নিয়ম উদাহৰণেৰে বুজাই দিলেহে ছাত্ৰ-ছাত্ৰীয়ে নিজে নিজে উত্তৰ কৰিব পাৰিব। কিন্তু এই ধৰণে আলোচনা খুউব কমসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে কৰে। উল্লেখযোগ্য যে কলেজলৈ পঢ়িবলৈ অহা ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীৰ ব্যাকৰণৰ জ্ঞানো বৰ দুখলগা। বিশেষ্য, বিশেষণ, ক্ৰিয়া আদিৰ জ্ঞান সিহঁতৰ সমূলি নাই বুলিয়েই ক'ব পাৰি। কলেজত আকৌ খুউব কম সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীয়ে ইংৰাজী ব্যাকৰণ ছাত্ৰ-ছাত্ৰীক শিকায়। ফলস্বৰূপে ইংৰাজী ব্যাকৰণত দুৰ্বল ছাত্ৰ-ছাত্ৰীয়ে কলেজত ইংৰাজীত নম্বৰ কম পায় বা ফেল কৰে। অৱশ্যে টিউছনৰ সহায়ত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ব্যাকৰণৰ জ্ঞান অৰ্জন কৰি পৰীক্ষা দিয়ে আৰু ভাগ্যক্ৰমে পৰীক্ষাত উত্তীৰ্ণ হয়।

আগৰ দিনত স্কুল পৰিদৰ্শকে স্কুল এখনলৈ গৈ নিজ কৰ্তব্য ভালদৰে পালন কৰিছিল। আমি তেতিয়া স্কুলীয়া ছাত্ৰ আছিলো। মোৰ মনত পৰে স্কুল পৰিদৰ্শক বন্ধুৰাম কছাৰীৰ কথা। তেখেতে ভালদৰে স্কুল পৰিদৰ্শন কৰিছিল। শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক পাঠ এটিত থকা ইংৰাজী বাক্যসমূহ পঢ়িব দিছিল। শব্দৰ ভুল উচ্চাৰণৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। শব্দৰ অৰ্থও ক'ব দিছিল। মুঠতে ভুল-ত্ৰুটিৰ প্ৰতি সংশ্লিষ্ট শিক্ষক বা শিক্ষয়িত্ৰীৰ দৃষ্টিও আকৰ্ষণ কৰিছিল আৰু তেনে ভুল-ত্ৰুটিৰ যাতে পুনৰাবৃত্তি নহয় তাৰ কাৰণে যথোপযুক্ত ব্যৱস্থা লবলৈ তেখেতসকলক কৈছিল। কেতিয়াবা ইংৰাজী শিক্ষকজনক ক্লাচ লবলৈ দিছিল আৰু তেখেতে কৰা ভুল-ত্ৰুটিবোৰ আঙুলিয়াই দিছিল। আকৌ কি ধৰণে পঢ়ালে ছাত্ৰ-ছাত্ৰীৰ ইংৰাজীৰ জ্ঞান বাঢ়িব তাৰ পৰামৰ্শও দিছিল। আনহাতে স্কুল পৰিদৰ্শকজনে প্ৰধান শিক্ষকক ইংৰাজীত ৰাপ নথকা শিক্ষক-শিক্ষয়িত্ৰীক ইংৰাজী শিকাবলৈ দিব নালাগে বুলি প্ৰধান শিক্ষক বা শিক্ষয়িত্ৰীক লিখিত ভাবে জনাইছিল। মুঠতে ইংৰাজীত ভাল শিক্ষক-শিক্ষয়িত্ৰীক ইংৰাজী শিকোৱাৰ দায়িত্ব দিয়া হৈছিল। ফলস্বৰূপে স্কুলত ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী জ্ঞান ভাল আছিল।

ওপৰোক্ত কাৰণত বৰ্তমানে ছাত্ৰ-ছাত্ৰীৰ অধিকাংশৰে ইংৰাজী জ্ঞান দুখলগা হৈছে। উল্লেখযোগ্য যে ভাষা শিকা কাণেৰে আৰম্ভ হয় বুলি কোৱা হয়। নতুন ভাষা কাণেৰে অনবৰত শুনি থাকিলেহে কম বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে ভাষাটো ক'ব পাৰে। এই উদ্দেশ্য আগত ৰাখি শ্ৰেণীত ইংৰাজী শিক্ষক বা শিক্ষয়িত্ৰীগৰাকীয়ে ইংৰাজীত কথা কোৱা বা বুজাই দিয়াৰ অভ্যাস কৰিব লাগে। কেৱল প্ৰয়োজনবোধে অসমীয়া বা মাতৃভাষাত বুজাব লাগে।

ছাত্ৰ-ছাত্ৰীৰ ইংৰাজীৰ জ্ঞান ভাল কৰিবলৈ হ'লে নিম্নলিখিত কথাখিনিত গুৰুত্ব দিয়া অতি প্ৰয়োজন। প্ৰথমতে ইংৰাজী শিক্ষক বা শিক্ষয়িত্ৰী গৰাকীৰ ইংৰাজীৰ জ্ঞান ভাল হোৱা আৱশ্যক। ইংৰাজীত ৰাপ থকা ব্যক্তিক ইংৰাজী শিকাব দিব লাগে। শিক্ষকগৰাকী প্ৰশিক্ষণপ্ৰাপ্ত হলে ভাল হয়।

দ্বিতীয়তে ইংৰাজী ব্যাকৰণৰ ভাল জ্ঞান থকা বাঞ্ছনীয়। তেনে শিক্ষকেহে নিম্ন বা উচ্চশ্ৰেণীত ব্যাকৰণ ভালদৰে শিকাব পাৰিব। ব্যাকৰণৰ নিয়মসমূহ ভালদৰে বুজাই উদাহৰণেৰে ছাত্ৰ-ছাত্ৰীক শ্ৰেণীত শিকোৱা উচিত।

তৃতীয়তে প্ৰতিটো শ্ৰেণীতে ছাত্ৰ-ছাত্ৰীক পাঠপঢ়া, শব্দৰ বানান আৰু বাক্যসমূহৰ অৰ্থ কৰিব দিব লাগে। সঘনে শ্ৰেণীত এনে পদ্ধতি অৱলম্বন কৰিলে ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী জ্ঞান ভাল হ'ব। আনহাতে প্ৰতি তিনিমাহে স্কুল পৰিদৰ্শকে স্কুল পৰিদৰ্শন কৰিব লাগে। পৰিদৰ্শন কৰোতে প্ৰতিটো শ্ৰেণীতে ছাত্ৰ-ছাত্ৰীৰ ইংৰাজী জ্ঞান পৰীক্ষা কৰিব লাগে। কিবা আঁসোৱাহ থাকিলে সেইবোৰ আঁতৰাবৰ কাৰণে যথোচিত পৰামৰ্শ আগবঢ়াব লাগে। ইংৰাজীত ভাল জ্ঞান থকা আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক বা শিক্ষয়িত্ৰীক শ্ৰেণীত ইংৰাজী শিকাব দিব লাগে।

ইংৰাজীৰ বিভিন্ন শব্দৰ অৰ্থসমূহ ছাত্ৰ-ছাত্ৰীয়ে জনা উচিত।

এটা শব্দৰ বিভিন্ন অৰ্থও সিহঁতে জনা দৰকাৰ কিয়নো ছাত্ৰ-ছাত্ৰীসকলে বহুতো শব্দৰ অৰ্থ আৰু আনকি উচ্চাৰণো নাজানে। শিক্ষক বা শিক্ষয়িত্ৰীগৰাকী এইবোৰ শ্ৰেণীত আলোচনা কৰা উচিত।

মনকৰিবলগীয়া কথা এয়ে যে ইংৰাজী ভাষা জ্ঞানৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী বাক্য শুদ্ধ উচ্চাৰণেৰে পঢ়িব লাগে আৰু লিখিবও লাগে। মুঠতে ইংৰাজী পঢ়া আৰু লিখাৰ অভ্যাস প্ৰায়ে কৰিব লাগে। পাঠ্য কিতাপৰ বাহিৰেও আন বাহিৰা কিতাপ ছাত্ৰ-ছাত্ৰীসকলে পঢ়িব লাগে। আনহাতে পাঠ্য কিতাপত থকা পাঠ নিৰ্বাচন এটি অতি গুৰুত্বপূৰ্ণ বিষয়। পৰাপক্ষত ইংৰাজ লিখক-লেখিকাৰ লিখনীসমূহ নিৰ্বাচন কৰা অতি দৰকাৰ। তদুপৰি নৈতিক উপদেশ থকা পাঠ্যসমূহ নিৰ্বাচন কৰা যুগুত। পাঠসমূহ আকৌ চুটি বা নাতিদীৰ্ঘ হোৱাটো বাঞ্ছনীয়। এনেধৰণৰ পাঠৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ থাকে আৰু তাৰ প্ৰতি আকৰ্ষিত হয়। নিৰস আৰু টান পাঠৰ প্ৰতি সিহঁত আকৰ্ষিত নহয়। ফলস্বৰূপে সিহঁত পাঠটো পঢ়াত আগ্ৰহান্বিত নহয় আৰু তেনে পাঠ পঢ়ি বুজিও নাপায়। ফলস্বৰূপে সিহঁতে নোটৰ আশ্ৰয় লবলগীয়া হয়। বিদেশী ভাষা ইংৰাজী ভালদৰে শিকিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে পাঠ্য কিতাপৰ উপৰিও বাহিৰা ইংৰাজী কিতাপ যথেষ্ট পঢ়িব লাগে। অধ্যয়নৰ উপৰিও ইংৰাজী লিখাৰ অভ্যাসো খুউব কৰিব লাগে। কিন্তু ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী পঢ়া আৰু লিখাৰ অভ্যাস খুউব কমে কৰে। আনকি অধিকসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পাঠ্য কিতাপো নপঢ়ে। কেৱল নোট বুক পঢ়ি পৰীক্ষাত অৱতীৰ্ণ হয়। ফলস্বৰূপে ইংৰাজী ভাষাজ্ঞান সিহঁতৰ মুঠে নহয়। ইংৰাজীত বাক্য এটা শুদ্ধকৈ লিখা বা দৰখাস্ত এখন লিখাত সিহঁতৰ বেছিভাগে ব্যৰ্থতাৰ সন্মুখীন হয়।

মনকৰিবলগীয়া কথা এয়ে যে ইংৰাজী ক্লাছত অসমীয়াৰ পৰা ইংৰাজীলৈ অনুবাদ কৰাৰ অনুশীলন খুউব কমেই কৰা হয়। আমাৰ ছাত্ৰাৱস্থাত শিক্ষান্ত পৰীক্ষাত ইংৰাজীৰ তিনিখন পেপাৰ আছিল। গদ্যৰ এখন, পদ্যৰ এখন আৰু ব্যাকৰণৰ এখন পেপাৰ আছিল। তেতিয়াৰ দিনত ব্যাকৰণ এখন পেপাৰ আছিল। তেতিয়াৰ দিনত ব্যাকৰণ আৰু অনুবাদৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। সেই অনুপাতে আজিকালি শ্ৰেণীত অনুবাদৰ অনুশীলন খুউব কমে কৰা হয়। ফলস্বৰূপে অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে কোনো এষাৰ কথা অসমীয়াত সঙ্গতি ৰাখি সজাই ইংৰাজীলৈ অনুবাদ কৰিব নোৱাৰে। সেয়ে শ্ৰেণীত শিক্ষক-শিক্ষয়িত্ৰীয়ে অসমীয়াৰ পৰা ইংৰাজীলৈ অনুবাদ কৰাৰ ওপৰত গুৰুত্ব দিয়া অতি প্ৰয়োজন।

কলেজৰ স্তৰত কচিং ক্লাছৰ ওপৰত বেছি গুৰুত্ব দিব লাগে। কলেজত শ্ৰেণী এটাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক। এনেস্থলত শ্ৰেণী এটাত ছাত্ৰ-ছাত্ৰীসকলক কেইবাটাও গ্ৰুপত ভাগ কৰি কচিং ক্লাছ ল'ব লাগে। তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম বা ২৫ বা ৩০ গৰাকী হোৱাৰ কাৰণে প্ৰত্যেকৰ ওপৰত চকু দিয়া সম্ভৱপৰ হয় আৰু সেই অনুসৰি পাঠ এটি শিকোৱাতো উজু হৈ পৰে। লেক্‌চাৰিং পদ্ধতি পৰাপক্ষত বাদ দিয়া ভাল। স্কুল শিক্ষকৰ দৰে কথাবিলাক ভালদৰে বুজাই প্ৰশ্নোত্তৰ লিখিবলৈ দিব লাগে। এনে অভ্যাস সঘনাই কৰিলে ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজীৰ জ্ঞান বঢ়াব পাৰিব। ব্যাকৰণৰ ওপৰত বেছি গুৰুত্ব দিয়া অতি প্ৰয়োজন। মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা ক'ব খোজো যে বৰ্তমানে কলেজসমূহত ইংৰাজী ব্যাকৰণৰ ভাল জ্ঞান খুউব কম প্ৰবক্তাৰহে আছে। বেছিভাগে ব্যাকৰণ শিকাবলৈ টান পায়। কেৱল গদ্য আৰু পদ্য লৈ ক্লাছ শেষ কৰে। ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে ব্যাকৰণৰ ভাল জ্ঞান আয়ত্ব কৰিব নোৱাৰে আৰু পৰীক্ষাত ইংৰাজীত কম নম্বৰ পায় বা ফেল কৰে। সেয়ে ব্যাকৰণত প্ৰবক্তা এজনে প্ৰশিক্ষণ লোৱাৰ ব্যৱস্থা থাকিলে ভাল হ'ব।

স্কুল বা কলেজ শিক্ষকসকল শিক্ষাদানত ব্ৰতী হোৱা অতি আৱশ্যক। কেৱল মাহৰ শেষত দৰমহাৰ ফালে লক্ষ্য ৰাখি আৰু নিজ কৰ্তব্যত অৱহেলা কৰি শিক্ষকতা কৰা অনুচিত। তেওঁলোকৰ মুখ্য উদ্দেশ্য হ'ব লাগিব ছাত্ৰ-ছাত্ৰীক ভালদৰে শিকোৱা যাতে পৰীক্ষাত ৰিজাল্ট ভাল কৰিব পাৰে। এই উদ্দেশ্য আগত ৰাখি তেওঁলোকে শিক্ষাদান কৰা উচিত। শিক্ষাদান পাল মাৰি যোৱা বিধৰ হ'ব নালাগে। শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক ইংৰাজী পাঠ এটি ভালদৰে বুজাই তাৰ তলত থকা প্ৰশ্নসমূহৰ উত্তৰ আলোচনা কৰি লিখিব দিব লাগে। পাৰিলে কিছুমান প্ৰশ্নৰ মডেল উত্তৰ লিখাই দিব লাগে। মুঠতে সকলো প্ৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত সহায় আগবঢ়োৱা তেওঁলোকৰ কৰ্তব্য বুলি তেওঁলোকে বিবেচনা কৰা দৰকাৰ। তেতিয়া হলে শৈক্ষিক দিশত স্কুল এখন নিশ্চয় আগবাঢ়ি যাব আৰু পৰীক্ষাৰ ৰিজাল্টো ভাল হ'ব কিয়নো স্কুল বা কলেজত ইংৰাজীতে অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী অনুতীৰ্ণ হয়। উল্লেখযোগ্য যে ইংৰাজী শিক্ষকগৰাকী আন বিষয়ৰ শিক্ষক-শিক্ষয়িত্ৰীতকৈ বেছি দায়িত্ববোধ থকা আৰু কৰ্তব্যপৰায়ণ হোৱাটো বাঞ্ছনীয়। আনহাতে শ্ৰেণীত সঘনে অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীক জৰিমনা কৰা বা স্কুল পৰিত্যাগ কৰাৰো ব্যৱস্থা থাকিব লাগে। আকৌ ইংৰাজী শিক্ষকগৰাকী নিজ কৰ্তব্যৰ প্ৰতি সচেতন নোহোৱা বা সঘনে অনুপস্থিত থকা বা পলমকৈ ক্লাছত সোমোৱা হ'লে তেওঁৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা অতি প্ৰয়োজন। দৰমহা কৰ্তনো এনে ব্যৱস্থাৰ অন্তৰ্ভুক্ত হ'ব লাগে। এনে ব্যৱস্থা বিভাগীয় কৰ্তৃপক্ষই ললেহে স্কুল-কলেজত ইংৰাজী শিক্ষাৰ উন্নতি নিশ্চয় হ'ব।

*(দৈনিক অসম'ত প্ৰকাশিত)*

# সামাজিক নিষিদ্ধতা — টেবু

**বিনয়া দেৱী**
প্ৰবক্তা, নৃতত্ত্ব বিভাগ

আমাৰ ঘৰুৱা জীৱনত সততে ইটো সিটো কামত নাপায়, নকৰিবা, নাখাবা, নুচুবা আদি অনেক নিষেধৰ মুখামুখী হওঁ। এই নয় অৰ্থক বাধাবোৰনো কি, কোনে উলিয়ালে, জনাৰ ইচ্ছা হয়। নৃতাত্ত্বিক অধ্যয়নত এই নিষেধসমূহক 'টেবু' বুলি কোৱা হয়। এই নিবন্ধত টেবু কি, ইয়াৰ স্বৰূপ, তাৎপৰ্য আদি আমাৰ পৰিচিত আৰু অপৰিচিত সমাজৰ পৰা অনা কিছু উদাহৰণৰ সহায়ত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

পলিনেচীয়া শব্দ tabu ৰ পৰা উদ্ভৱ হোৱা taboo শব্দটোৰ অৰ্থ হৈছে নিষিদ্ধ (forbidden)। পলিনেচীয়াৰ আদিবাসীসকলে taboo ৰ দ্বাৰা পৱিত্ৰ (sacred) বস্তুকো বুজায়। তেওঁলোকে পৱিত্ৰ বস্তুবোৰত অলৌকিক শক্তি থাকে বুলি বিশ্বাস কৰে আৰু এইবোৰৰ পৰা আঁতৰত থাকে।

টেবুৰ পৰা নিষিদ্ধ কৰা বা আঁতৰি থকা বিষয়সমূহ মানুহৰ মুখে মুখে চলি থকা, অথচ মানুহে অন্তৰেৰে বিশ্বাস কৰা কিছুমান সামাজিক নিয়ম। এই নিয়মসমূহ এনে এক বিশ্বাসৰ লগত জড়িত যে এই নিয়মসমূহ ভংগ কৰিলে বা মানি নচলিলে নিয়ম ভংগ কৰোতাজনে অলৌকিক শক্তিৰ ৰোষত পৰিব আৰু নিজেই তাৰ কুফল ভোগ কৰিব। তেওঁলোকৰ ওপৰত সমাজে কোনো ধৰণৰ শাস্তিৰ ব্যৱস্থা নকৰে। সেয়ে টেবুক আদিম সমাজৰ অলিখিত আইন বুলি ধৰা হয়। আদিম সমাজসমূহত ভিন ভিন ক্ষেত্ৰত ভিন ভিন ধৰণৰ নিষেধৰ প্ৰচলন আছিল আৰু মানুহে এই নিষেধসমূহ অত্যন্ত সাৱধানতাৰে মানি চলিছিল। সমাজত প্ৰচলিত এই নিয়মবোৰ লংঘন কৰিলে বা ভংগ হ'লে বেমাৰ-আজাৰ, মহামাৰী, দুৰ্ভিক্ষ, প্ৰাকৃতিক দুৰ্যোগ আদিৰ কবলত পৰিব লাগিব বুলি মানুহে বিশ্বাস কৰিছিল।

টেবুসমূহ ধৰ্মীয় কাম-কাজ, যৌন জীৱন, খাদ্য গ্ৰহণ, খাদ্য উৎপাদন— কৃষি, চিকাৰ, মাছমৰা, ঘৰুৱা কাম-কাজ, বোৱা-কটা, সামাজিক আচাৰ নীতি, জন্ম-মৃত্যু-বিবাহ সংক্ৰান্তিয় বিভিন্ন আচাৰ-অনুষ্ঠান আদি জীৱনৰ সকলো ক্ষেত্ৰতে পালন কৰা হয়। কিছুমান টেবু বিশেষ দিন, মাহ, বাৰ, ঋতু, উৎসৱ-পাৰ্বণৰ লগতো জড়িত হৈ থাকে।

ধৰ্মৰ ক্ষেত্ৰত মানি চলিবলগীয়া নিয়মবোৰেই ধৰ্মীয় টেবু। এইবোৰৰ ওপৰিও চুৰি, নৰহত্যা, ব্যভিচাৰ আদি প্ৰায় সকলোবোৰ অসামাজিক কাৰ্যই ধৰ্মীয় টেবু। খাদ্যৰ ক্ষেত্ৰত থকা বাধা নিষেধবোৰ খাদ্য সম্বন্ধীয় টেবু। কিছুমান বিশেষ জনগোষ্ঠীৰ মাজত কিছুমান বিশেষ উদ্ভিদ বা জীৱ আহাৰ হিচাপে গ্ৰহণত বাধা থাকে। সাধাৰণতে জনজাতীয় সমাজত 'টোটেম' জাতীয় জীৱৰ ক্ষেত্ৰত এনে টেবু বা নিষেধাজ্ঞা থাকে। কিছুমান জনগোষ্ঠীয়ে কোনো কোনো বিশেষ জীৱ, উদ্ভিদ বা প্ৰাকৃতিক পদাৰ্থৰ লগত এক অলৌকিক বন্ধন থকা বুলি বিশ্বাস কৰে। এই জীৱ বা উদ্ভিদসমূহক তেওঁলোকে টোটেম (totem) বুলি মানে। টোটেমৰ লগত জড়িত জনগোষ্ঠীসমূহে নিজকে সংশ্লিষ্ট টোটেমৰ সতি-সন্ততি বুলি ভাবে। কিছুমানে টোটেম জীৱক তেওঁলোকৰ অভিভাৱক বা ৰক্ষাকৰ্তা বুলিও ভাবে। এই টোটেম জীৱৰ হত্যা, ভক্ষণ বা যিকোনো ধৰণৰ অনিষ্টকাৰী কাৰ্য ধৰ্মীয়ভাৱে নিষিদ্ধ বা টেবু। অৱশ্যে কোনো বিশেষ উৎসৱত টোটেম জীৱ খাব পাৰি বুলি বিশ্বাস কৰে। কিছুমানৰ মাজত টোটেম জীৱৰ মৃত্যুত শোক পালন কৰা নিয়মো আছে। টোটেম জীৱৰ বৃদ্ধি কামনা কৰি প্ৰাৰ্থনা উৎসৱ পতাৰো নিয়ম আছে। পৃথিৱীৰ বিভিন্ন জনগোষ্ঠীয়ে টোটেম বুলি মনা কিছুমান উদাহৰণ হ'ল— বাঘ, কাছ, সাপ, চৰাই, শিল আদি।

খাদ্য গ্ৰহণৰ ক্ষেত্ৰত থকা নিষেধ ভাৰতীয় হিন্দুসকলৰ মাজতো প্ৰচলিত। হিন্দু সকলৰ মাজত গো-বধ আৰু গো-মাংস ভক্ষণ নিষিদ্ধ। তেওঁলোকে গৰুক মাতৃ জ্ঞান কৰে।

যৌনতাৰ ক্ষেত্ৰত থকা নিষেধক যৌন টেবুৰ ভিতৰত ধৰা হয়। অগম্যাগমন বা নিকটস্বজনৰ সৈতে যৌন সম্পৰ্ক পৃথিৱীৰ সকলো সমাজতে ব্যভিচাৰ বা অত্যন্ত গৰ্হিত কাৰ্য ৰূপে পৰিগণিত। অগম্যাগমনৰ ধাৰণাই প্ৰধানতঃ পিতৃ-কন্যা, মাতৃ-পুত্ৰ আৰু ভাই-ভনীৰ মাজত যৌন সম্পৰ্কত নিষিদ্ধতা আৰোপ কৰে।

অগম্যাগমনৰ দুই এক বিৰল ব্যতিক্ৰমৰ বিষয়ে এইখিনিতে উল্লেখ কৰিব পাৰি। অতীতত ইন্‌কা আৰু হাৱাই ৰাজপৰিয়ালত এনে নিকটাত্মীয় বিবাহৰ প্ৰচলন আছিল। ইজিপ্তৰ ৰাণী ক্লিঅ'পেট্ৰা সহোদৰজ আত্মীয় বিবাহ কৰোতাৰ এক উদাহৰণ। এই ব্যতিক্ৰম প্ৰসংগকেইটাৰ ক্ষেত্ৰত আচলতে কিছু ব্যাখ্যাৰ প্ৰয়োজন। কিন্তু এইবোৰ এৰাই গৈ এইটোকে ক'ব পাৰি যে বৰ্তমান সময়ত পৃথিৱীৰ কোনো সমাজতেই প্ৰাথমিক পৰিয়ালৰ সন্তানসকলৰ মাজত বিবাহ বা যৌনতা অনুমোদিত নহয়।

নিকটাত্মীয়ৰ উপৰিও বংশগোট, গোত্ৰ ইত্যাদিৰ মাজত বিবাহ

বা যৌন সম্পৰ্কত বাধা পৃথিৱীৰ বহুতো সমাজৰ বাবে সাধাৰণ নিয়ম। খাছী, গাৰো, তিৱা আদি জনগোষ্ঠীৰ মাজত সগোত্ৰ বিবাহ নিষিদ্ধ, লগতে সামাজিকভাৱে বৰ্জনীয়। আও নগাসকলৰ মাজতো সগোত্ৰ বিবাহ নিষিদ্ধ। অসমীয়া হিন্দু সমাজতো পিতৃৰ ফালৰ সাতপুৰুষ আৰু মাতৃৰ ফালৰ পাঁচপুৰুষ পাৰ নহ'লে বিবাহ হ'ব নোৱাৰে।

বেছিভাগ সমাজত জাতি বা গোষ্ঠীসমূহে নিজ গোটৰ বাহিৰত বিয়া-বাৰু কৰোৱা নিষেধ। জনজাতিসকলৰ মাজতো নিজৰ জনজাতীয় পৰিধিৰ বাহিৰত সংগী গ্ৰহণ কৰাটো সাধাৰণতে বাঞ্ছনীয় নহয়। ভাৰতীয় বৰ্ণহিন্দুসকলৰ মাজত নিম্ন বৰ্ণৰ ব্যক্তিয়ে উচ্চবৰ্ণৰ কন্যাৰ পাণি গ্ৰহণ কৰাতো নিষিদ্ধ বা টেবু।

ইয়াৰ উপৰিও প্ৰায় সকলো সমাজত কিছুমান বিশেষ আত্মীয়ই ইজনে সিজনৰ পৰা সচেতন ভাবে দূৰত্ব ৰক্ষা কৰি চলা দেখা যায় বা ৰক্ষা কৰাটো বাঞ্ছনীয়। যিসকল লোকৰ ক্ষেত্ৰত টেবু বা নিষেধ থকা বুলি ক'ব পাৰি। অসমীয়া সমাজত হিন্দু-মুছলমান নিৰ্বিশেষে এগৰাকী বোৱাৰীয়ে বৰজনাকৰ লগত নিকট সম্পৰ্ক পৰিহাৰ কৰি চলে। এই ক্ষেত্ৰত অসমীয়া বোৱাৰীয়ে ওৰণিৰে শিৰ আবৰি ৰাখি বৰজনাকৰ লগত দূৰত্ব ৰক্ষা কৰে। অসমীয়া সমাজত এই দূৰত্ব ইমানেই বাঞ্ছনীয় যে বোৱাৰীজনী কদাচিত পানীত পৰি গ'লেও বৰজনাকে হাতত ধৰি তুলিব নোৱাৰাৰ নিয়ম আছে। এনে নিয়ম অসমীয়া গ্ৰামীণ সমাজত শাহু-জোঁৱাই আৰু ভগ্নীপতি আৰু জেশাহুৰ মাজতো পৰিলক্ষিত হয়। গোণ্ড জনজাতিৰ নাৰীসকলেও বৰজনাকৰ আগত নোলায়, কথা নাপাতে, আনকি তেওঁৰ সাজপাৰ আৰু খাদ্য দ্ৰব্যও স্পৰ্শ নকৰে। ভেদ্দাসকলৰ মাজতো শাহুৱেকে জোঁৱায়েকক কঠোৰভাৱে পৰিত্যাগ কৰি চলে। মেলানেচীয় সমাজত পুৰুষসকলে ভনীয়েকক পৰিহাৰ কৰি চলে। আওনগা আৰু বহুতো জনজাতীয় সমাজত এজন লোকে নিজৰ ভগ্নী আৰু কন্যাসকলৰ পৰা দূৰত্ব ৰক্ষা কৰি চলে। সমাজ, সংস্কৃতি আৰু মনস্তত্ত্ববিদ ফ্ৰেজাৰ, টাইলৰ আৰু ফ্ৰয়েডৰ মতে অগম্যাগমন বা সামাজিক ব্যভিচাৰ ৰোধৰ বাবেই এনেধৰণৰ পৰিহাৰ মূলক টেবুসমূহ সমাজত প্ৰচলিত হৈছিল। অৱশ্যে সকলো বিজ্ঞানীয়ে এনে ধৰণৰ ব্যাখ্যাক স্বীকৃতি নিদিয়ে।

কোনো কোনো সমাজত সন্তান জন্ম সংক্ৰান্তত কিছুমান বিশেষ ধৰণৰ টেবু পালনৰ নিয়ম আছে। এই নিয়ম মতে সন্তান সম্ভৱা মহিলা এগৰাকীয়ে পালন কৰিবলগীয়া নীতি-নিয়ম বা নিষেধসমূহ তেওঁৰ স্বামীয়েও মানি চলিবলগীয়া হয়। নৃতাত্ত্বিকসকলে এই প্ৰথাক ক'ভেদ (Couvade) আখ্যা দিছে। এনে নিয়মৰ দ্বাৰা পৰিচালিত এজন নগালোকে তেওঁৰ গৰ্ভৱতী পত্নীয়ে খোৱা ঔষধ-পাতি খাব লগা হয়, অন্য টেবুবোৰো মানি চলিবলগীয়া হয়। বহুপতিক টোডা জনগোষ্ঠীৰ সন্তান সম্ভৱা নাৰী এগৰাকীৰ কোনো এজন স্বামীয়ে পত্নীৰ দৰেই অক্ষম জীৱন-যাপন কৰি ঘৰতে সোমাই থাকে আৰু পিছলৈ তেৱেঁই সন্তানৰ পিতৃত্ব দাবী কৰিব পাৰে। মাতৃত্বৰ চিন পৰিস্ফুট হোৱা এগৰাকী খাছী নাৰীৰ বাবে কাপোৰ ধোৱা, নিজৰা পাৰ হোৱা আদি কাম নিষেধ। নাৰীগৰাকীৰ স্বামীয়েও একেবোৰ কামৰ ক্ষেত্ৰত নিষেধ পালন কৰি এইবোৰৰ পৰা বিৰত থাকিবলগীয়া হয়। পুৰুষ এজনে বা সম্ভাব্য পিতৃ এজনে পালন কৰিবলগীয়া এই টেবুবোৰত গৰ্ভৱতী পত্নী গৰাকীৰ প্ৰতি সমব্যথা আৰু পত্নীৰ দুখ-কষ্টক মানসিকভাৱে লাঘৱ কৰিবৰ প্ৰয়াস অন্তৰ্নিহিত হৈ আছে বুলি নৃতাত্ত্বিকসকলে ভাবে।

সন্তান জন্ম সম্বন্ধীয় আৰু কিছু নিষেধৰ ক্ষেত্ৰত জনা যায়. কিছুমান সমাজত কোলাৰ কেঁচুৱাই দুগ্ধ পান কৰি থকা কালছোৱাত মাতৃগৰাকীৰ বাবে সহবাস নিষিদ্ধ। দক্ষিণ আমেৰিকাৰ ইণ্ডিয়ানসকলে অল্পকালৰ বাবে প্ৰসৱোত্তৰকালীন যৌন নিষেধাজ্ঞা পালন কৰে। আনহাতে উত্তৰ আমেৰিকাৰ ইণ্ডিয়ানসকলে প্ৰসৱোত্তৰ কালত দীঘলীয়া সময়ৰ বাবে এনে নিষেধাজ্ঞা পালন কৰিছিল। এনে ধৰণৰ টেবুসমূহৰ অন্তৰালত দুটা শিশুৰ মাজৰ ব্যৱধান বৃদ্ধি, সন্তানৰ সুস্বাস্থ্য আৰু সমুচিত প্ৰতিপালন জড়িত হৈ থকা বুলি নৃতাত্ত্বিকসকলে ভাবে।

অসমীয়া হিন্দু সমাজত প্ৰচলিত কিছুমান যৌন নিষেধাজ্ঞা কাল, ঋতু, পূজা-পাতল আদিৰ লগত জড়িত। হিন্দুসকলৰ মাজত অমাবস্যা, পূৰ্ণিমা, অম্বুবাচী ইত্যাদিত সহবাস নিষিদ্ধ।

বহু জনজাতীয় সমাজত ধান ৰোৱা, ধান চপোৱা, চিকাৰ, মাছ মৰা, ৰাজহুৱা কাজ-কৰ্ম আদিৰ সময়ত যৌন সম্পৰ্ক নিষিদ্ধ কৰা হয়। আনহাতে অষ্ট্ৰেলিয়াৰ আদিবাসী সমাজত জনজাতীয় ব্যৱস্থা সভাৰ সময়ত যৌন জীৱনৰ সমস্ত বাধা নিষেধ তুলি লোৱা হয়।

টেবুৰ ক্ষেত্ৰত এটা কথা মন কৰিবলগীয়া যে টেবুসমূহক আমি কটকটীয়াকৈ কোনো এটা বিশেষ ভাগৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰো। একোটা টেবুৱেই বিভিন্ন দৃষ্টিকোণৰ পৰা বেলেগ বেলেগ ভাগত পেলাব পৰা যায়। টেবুৰ অন্য এক দিশো আছে, সেইটো হৈছে ইয়াৰ স্থায়িত্ব। কিছুমান টেবু হ্ৰস্বকালীন, কিছুমান দীৰ্ঘকালীন। কিছুমান ক্ষন্তেকীয়া আৰু কিছুমান চিৰন্তন।

ধৰ্ম, খাদ্য, যৌনতা আদিৰ উপৰিও দৈনন্দিন জীৱনৰ বহুতো কাম-কাজত, আচাৰ-ব্যৱহাৰতো মানুহে কিছুমান নিষেধাজ্ঞা বা নীতি-নিয়ম মানি চলিবলগীয়া হয়। অৰুণাচল প্ৰদেশৰ

জনজাতিসকলে নৃত্যৰ ক্ষেত্ৰতো টেবু মানি চলিবলগীয়া হয়। তেওঁলোকে বিবাহ, উৎসৱ, শৱযাত্ৰা আদিত যি নৃত্য কৰে, সেই নৃত্য, ৰং-ধেমালি বা আনন্দ উপভোগৰ সময়ত কৰাটো নিষেধ। টিৰাপৰ ওৱাঞ্চুসকলৰ মাজত কাপোৰ বোৱাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আছে। ওৱাঞ্চু সমাজত মুখিয়ালৰ পত্নী আৰু কন্যাসকলেহে কানি-কাপোৰ বব পাৰে। পাদ্‌ম্ আৰু মিনিয়ং বিলাকৰো প্ৰতিটো উৎসৱতে বয়ন আৰু অন্যান্য কামৰ ওপৰত নিষেধাজ্ঞা আছে। উদাহৰণ হিচাপে ধান ৰোৱা আৰু ধান সিঁচা উৎসৱ চুলুঙৰ পিছত দহ দিনলৈ তাঁত বোৱাত বাধা আছে। কোনো নাৰীৰ গৰ্ভপাত হ'লে এবছৰলৈ তাঁত বব নোৱাৰে। পৰিয়ালৰ লোক মৰিলেও বিভিন্ন ধৰণৰ টেবু পালন কৰিবলগীয়া হয়। কিন্তু মহিলাৰ ঋতুস্নানৰ সময়ত কাপোৰ বোৱাত বাধা নাই। মিচিমিসকলৰ মাজত মহিলাৰ ঋতুস্নানৰ সময়ত বয়ন কাৰ্য নিষিদ্ধ।

জেম্‌চ্ ফ্ৰেজাৰে তেওঁৰ The Golden Bough নামৰ বিখ্যাত গ্ৰন্থখনত আদিম সমাজত প্ৰচলিত বিভিন্ন ধৰ্মীয় নিষেধৰ বিষয়ে আলোচনা কৰিছে। এই নিষেধসমূহক তেওঁ নিষিদ্ধ কৰ্ম, নিষিদ্ধ ব্যক্তি, নিষিদ্ধ বস্তু আৰু নিষিদ্ধ শব্দ এই চাৰিটা শিতানত ভগাই বিশদভাৱে আলোচনা কৰিছে। টেবু পালনৰ অন্তৰালত প্ৰধানকৈ তিনি প্ৰকাৰ উদ্দেশ্য জড়িত— উৎপাদনমূলক বা লাভজনক (productive), ৰক্ষাত্মক (protective) আৰু নিষেধমূলক বা নিবাৰণমূলক (prohibitive)।

উৎপাদন প্ৰক্ৰিয়া বা মানুহৰ হিতৰ বাবে যি নিষেধ মানি চলিবলগীয়া হয়, সেয়ে উৎপাদনমূলক টেবু। নীলগিৰি পাহাৰৰ বাসিন্দা মহপালক টোডাসকলৰ বাবে মহৰ গাখীৰ আৰু গাখীৰৰ পৰা উৎপাদিত সামগ্ৰীয়েই জীৱন যাপনৰ প্ৰধান সমল। তেওঁলোকে মহপালন, গাখীৰ আৰু গাখীৰৰ পৰা সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত বিভিন্ন নিষেধ বা টেবু মানি চলে। এওঁলোকে মহ, মহ ৰখা ঠাই বা খুঁটি, দুগ্ধশালা, গাখীৰৰ পাত্ৰ, গাখীৰ এই সকলোবোৰকে পৱিত্ৰ বুলি গণ্য কৰে। সাধাৰণ মানুহে এইবোৰ স্পৰ্শকৰা বা ব্যৱহাৰ কৰা নিষেধ। টোডা দুগ্ধ কৰ্মীসকলে আজীৱন যৌন সংসৰ্গৰ পৰা বিৰত থাকিব লাগে।

যিবোৰ নিষেধ বা নিয়মে ব্যক্তিক (মহিলা, পুৰুষ, শিশু) কিছুমান বিশেষ স্থান, কাৰ্য বা বস্তুৰ পৰা আঁতৰাই ৰাখিব খোজে সেইবোৰক ৰক্ষাত্মক টেবু বুলি ক'ব পাৰি। যি নিয়মে কোনো ব্যক্তিক আনৰ পৰা আঁতৰাই ৰাখে বা তেওঁলোকৰ ওচৰ চপাৰ ক্ষেত্ৰত কিছুমান নিয়ম বান্ধি দিয়ে সেয়ে নিবাৰণমূলক টেবু। সাধাৰণতে মুখিয়াল লোক, পুৰোহিত, ঋতুমতী নাৰী আদিক নিবাৰণমূলক টেবুৰ দ্বাৰা নিলগাই ৰখা হয়, যাতে তেওঁলোকৰ কোনো অপকাৰ নহয়। ৰক্ষাত্মক আৰু নিবাৰণমূলক টেবুৰ উদ্দেশ্য প্ৰায় একেই। নিবাৰণমূলক টেবুৰ দ্বাৰা নিলগাই ৰখা ব্যক্তিসকলক পৱিত্ৰ বুলিও মনা হয়। তেওঁলোক পৱিত্ৰ সেয়ে অস্পৰ্শনীয়। এই সন্দৰ্ভত আমি বিভিন্ন নৃগোষ্ঠীৰ মাজত প্ৰচলিত কিছুমান টেবুৰ ওপৰত দৃষ্টিপাত কৰিব পাৰো।

দক্ষিণ সাগৰীয় দ্বীপপুঞ্জৰ আদিবাসীসকলৰ মাজত প্ৰচলিত কিছুমান টেবুক সুৰক্ষা আৰু নিবাৰণমূলক টেবুৰ উদাহৰণ বুলি ল'ব পাৰো। তেওঁলোকে মূৰ্তি, মন্দিৰ, পূজাৰী, ৰজা, ৰজাৰ নাম, ৰাজপৰিয়ালৰ লোক, ভগৱানৰ লগত জড়িত বয়বস্তু, ৰজাৰ যাবতীয় বস্তু, পুৰোহিতৰ লাগতীয়াল বস্তু আদিক সদায় পৱিত্ৰ বুলি গণ্য কৰে আৰু সেইবোৰক অন্য লোকৰ পৰা নিলগত ৰাখে। ৰজাই প্ৰায়ে ভৰি দিয়া বা গা ধুবৰ বাবে ব্যৱহাৰ কৰা ঠাইডোখৰ পৱিত্ৰ জ্ঞান কৰে আৰু সেয়ে অন্যলোক তালৈ যোৱা নিষেধ। দক্ষিণ সাগৰীয় অঞ্চলত টেবুক আইনবিধি হিচাপে পালন কৰা হয় আৰু এই বিধি যাতে কোনেও ভংগ নকৰে তাকে চাবৰ বাবে ৰজাই ৰখীয়া নিযুক্তি দিয়ে। সেইসকল লোকৰ মাজত কেতিয়াবা আনকি এটা দ্বীপকো টেবুৰ দ্বাৰা একাষৰীয়া কৰি থোৱাৰ নিয়ম আছে, কোনো নাও বা মানুহ তাৰ ওচৰ চাপিব নোৱাৰে। তেওঁলোকে ফল, জন্তু, মাছ আদিৰ ওপৰতো কম বা দীৰ্ঘদিনৰ বাবে নিষেধাজ্ঞা জাৰি কৰে। কেতিয়াবা সময় বা ঋতুৰ ওপৰতো নিষেধাজ্ঞা জাৰি কৰা হয়। কোনো ধৰ্মীয় অনুষ্ঠান বা যুদ্ধলৈ যোৱাৰ আগতে মুৰব্বীজনৰ বেমাৰ হ'লে কিছুমান টেবু পালন কৰা হয়। এই টেবুসমূহৰ কিছুমান সাধাৰণভাৱে আৰু কিছুমান কটকটীয়াভাৱে পালন কৰিবলগীয়া। কটকটীয়া টেবু ভংগকাৰীসকলক ৰজাই মৃত্যুদণ্ড পৰ্যন্ত বিহিব পাৰে।

অৰুণাচল প্ৰদেশৰ প্ৰায় সকলো জনজাতিয়ে চিকাৰ আৰু মাছধৰা কাৰ্যক সাধাৰণ আহাৰ সংগ্ৰহ হিচাপে নহৈ এক ধৰ্মীয় কাৰ্য হিচাপে গণ্য কৰে। আনুষ্ঠানিক চিকাৰৰ কৃতকাৰ্যতা বা অকৃতকাৰ্যতাৰ ওপৰত তেওঁলোকৰ খেতিৰ ফলাফল নিৰ্ভৰ কৰিব বুলি ভাবে। সেয়েহে চিকাৰৰ কৃতকাৰ্যতাৰ বাবে তেওঁলোকে চিকাৰীৰ ঘৰত জন্তুৰ শিং আৰু ডাঙৰ মাছৰ হাড় ওলোমাই ৰাখে আৰু সেইবোৰ অপৱিত্ৰ কৰাটো নিষেধ। এনে নিষেধক উৎপাদনশীল টেবুৰ শাৰীত ৰাখিব পাৰি।

টিৰাপ জিলাৰ জনজাতিসকলৰ মাজত বিজুলী বা বজ্ৰপাত পৰা মাটিত খেতি কৰাটো কঠোৰভাৱে নিষিদ্ধ। টিৰাপৰ ওৱাঞ্চুসকলে এক বিশেষ প্ৰজাতিৰ মাছ নাখায়, যিটোক তেওঁলোকে মানুহৰ পুনৰজনম বুলি ভাবে। ইদু মিচিমি লোকসকলে লেংগুৰ আৰু বাঘ নাখায় কাৰণ এইকেইটা জীৱৰ লগত তেওঁলোকে টোটেমীয় সম্পৰ্ক থকা বুলি ভাবে। তেওঁলোকে মহিলাসকলে মাংস

খালে বন্ধ্যা হয় বুলি বিশ্বাস কৰে আৰু সেয়েহে সেই সমাজত সৰু-সুৰা চৰাই, মাছ আৰু বনৰীয়া এন্দুৰৰ বাহিৰে অন্য মাংস খোৱাটো নিষেধ কৰে।

শিল্প বা সামগ্ৰী তৈয়াৰৰ ক্ষেত্ৰতো কিছুমান টেবুৰ প্ৰচলন আছে। অৰুণাচলৰ মন্‌পা আৰু মেম্‌বা জনজাতিসকলৰ মাজত মাত্ৰ কেইটামান পৰিয়ালে লো-ৰ কাম কৰে। তেওঁলোকে এই কামক অদৃশ্য শক্তিৰ পৰা বিপদজনক বুলি ভাবে আৰু বহুতো টেবুৰ মাজেৰে ইয়াক সুৰক্ষিত কৰি ৰাখে। সেই লোকসকলে লোৰ অস্ত্ৰ-শস্ত্ৰ, সামগ্ৰী আদি তৈয়াৰ আৰু মেৰামতি কৰি ইখনৰ পিছত সিখন গাঁও ঘূৰি ফুৰে।

অৰুণাচলৰ মিচিমিসকলৰ মাজত বিশ্বাস আছে যে ঘৰৰ মুৰব্বীজনে গাৰু হিচাপে ব্যৱহাৰ কৰা পীৰাখনত যদি কোনোবা বহে, মুৰব্বীজনৰ আয়ুস টুটে, সেয়ে তেনে কাৰ্য নিষিদ্ধ। মৃত ব্যক্তিৰ অন্তেষ্টি ক্ৰিয়াৰ পিছত সেই ঠাইত ব্যক্তিজনৰ কানি-কাপোৰ, গহনা-গাঠৰি আদি আঁৰি দিয়া হয় আৰু সেইবোৰ কোনেও কেতিয়াও স্পৰ্শ কৰিব নোৱাৰে। তেওঁলোকৰ বিশ্বাস মৃত ব্যক্তিজনে মৃতকৰ দেশত এই বস্তুবোৰ ব্যৱহাৰ কৰিব।

অৰুণাচলৰ সকলো মানুহৰ ঘৰতে পূজা-পাৰ্বণত উচৰ্গা কৰা বা চিকাৰ কৰা জন্তুৰ মূৰবোৰ সুন্দৰকৈ সজাই ৰখা হয়। এই মূৰবোৰ টুপী, কামিজ বা অন্যবস্তু ওলমাই ৰখা 'হেঙাৰ' কৰিবৰ বাবে বৰ উপযোগী; কিন্তু তেওঁলোকে বিশ্বাস কৰে যে তেনে কাৰ্যই পৰিয়ালটোলৈ দুৰ্ভাগ্য কঢ়িয়াই আনে আৰু সেয়ে তেনে কাৰ্য নিষিদ্ধ আৰু তেওঁলোকে ইয়াক কেতিয়াও নকৰে।

অৰুণাচলত কিছুমান বাঁহৰ জোপোহা ধৰ্মীয় কামত ব্যৱহাৰৰ বাবে সংৰক্ষিত কৰি ৰখা হয়। কিছুমান গছকো পৱিত্ৰ বুলি বিশ্বাস কৰা হয়। সেয়েহে সেইবোৰ গছ আৰু বাঁহ ধৰ্মীয় কামৰ বাহিৰে অইন কামত ব্যৱহাৰ কৰা নিষেধ। আনকি এইবোৰ গছৰ পৰিথকা ডালো মানুহে ব্যৱহাৰ নকৰে।

কিছুমান টেবু লিংগভিত্তিক হয়। প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জৰ অধিবাসী মৎস্যজীৱী জনজাতীয় সমাজত নাৰীয়ে পুৰুষৰ দৰে নাৱত উঠি মাছ মৰাটো নিষিদ্ধ; আনহাতে পুৰুষে তিৰোতাই ব্যৱহাৰ কৰা সৰু জালবোৰ চুব নাপায়। বহুতো জনজাতীয় সমাজত পুৰুষৰ বাবে সমূহীয়া শয়ন গৃহ থাকে। তেনে শয়ন গৃহত নাৰীৰ প্ৰৱেশ নিষিদ্ধ। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰায়বোৰ জনগোষ্ঠী, যেনে আংগামী নগা, চেমা নগা, আও নগা, কন্যাক নগা, মিনিয়ং, পাদম্ আদি সমাজৰ পুৰুষৰ সমূহীয়া শয়ন গৃহ থকা সকলোবোৰ সমাজতে নাৰীৰ ক্ষেত্ৰত এনে নিষেধাজ্ঞাৰ প্ৰচলন আছে। অষ্ট্ৰেলিয়াৰ আদিবাসীসকলৰ মাজত কিছুমান গুপ্তসমাজ আছে। পুৰুষৰ দ্বাৰা গঠিত এনে গুপ্ত সমাজত নাৰীৰ প্ৰৱেশ নিষিদ্ধ। একেদৰেই তেওঁলোকৰ মাজত নাৰীৰ দ্বাৰা গঠিত গুপ্ত সমাজো আছে য'ত পুৰুষে ভাগ লোৱাৰ ক্ষেত্ৰত বাধা বা টেবু আছে। নগাসকলৰ মাজত নৰমুণ্ড চিকাৰৰ প্ৰচলন থকা কালছোৱাত স্বগাঁৱত মুণ্ড চিকাৰ নিষিদ্ধ আছিল।

আদিম কালৰ পৰাই মানৱ সমাজত ভিন ভিন প্ৰকাৰৰ টেবুৰ প্ৰচলন আছিল আৰু সেই টেবুসমূহৰ অজস্ৰ আজিও সমাজত প্ৰচলিত আছে। তেনে কিছু টেবুৰ উদাহৰণ আমাৰ সমাজৰ পৰাই দাঙি ধৰিব পাৰি।

অসমীয়া বৰ্ণ হিন্দু সমাজত গৰ্ভৱতী আৰু বিধৱা নাৰীয়ে অম্বুবাচীৰ সময়ত মাটিত ভৰি নিদিয়ে। খোৱা বস্তুও মাটিৰ পৰা ওপৰত আগতীয়াকৈ তুলি থয়। চন্দ্ৰগ্ৰহণ আৰু সূৰ্যগ্ৰহণৰ সময়ত আহাৰ খোৱা নিষেধ। বিবাহিতা মহিলাই চুলি কাটিলে স্বামীৰ আয়ুস টুটে বুলি বিশ্বাস কৰে, সেয়ে নিষিদ্ধ। শনিবাৰে বা ওপজা বাৰত চুলি কটা, নখ কটা, চুলি ধোৱা নিষেধ। একেবোৰ কাম ৰাতি কৰিবলৈকো বাৰণ কৰা হয়। ঋতুমতী মহিলাই তিনিদিনলৈ কাকো স্পৰ্শ কৰিব নাপায়। সেই সময়ছোৱাত সহবাস নিষিদ্ধ। ঋতুকালত মহিলাই ৰন্ধা-বঢ়া কৰা, পূজা কৰা, পূজাঘৰত বা মন্দিৰত সোমোৱা নিষেধ; তেওঁলোকে সেইবোৰৰ পৰা আঁতৰত থাকিব লাগে। কিছুমান মাছ যেনে শাল, শ'ল, চেং আদি খোৱা নিষেধ।

মহিলাই হালবোৱা নিষেধ। বিধৱা মহিলাই সেন্দুৰ ফোঁট লোৱা নিষেধ। সাধৱাই অলংকাৰবিহীন হৈ থকাটো অশুভ বুলি গণ্য কৰা হয়। এগৰাকী পত্নীয়ে স্বামী জীৱিত থকা কালত কেতিয়াও ফোঁট মচিব বা মোহাৰি পেলাব নাপায়। তেনে কৰিলে স্বামীৰ আয়ুস কমে বুলি বিশ্বাস কৰা হয়। পত্নীয়ে পতিক নাম কাঢ়ি মাতিব নাপায়। সন্তান জন্মৰ পিছত তিনিদিনলৈ বা নাড়ী নসৰালৈ মাক আৰু সন্তানক আনে স্পৰ্শ কৰিব নাপায়। মৃতলোক দেখা পালে বা চুলে গা ধুব লাগে। সন্মানীয় ব্যক্তিৰ ছাঁ গচকিব নাপায়। সন্মানীয় ব্যক্তি শুই থাকিলে মূৰৰ আগেদি পাৰহৈ যাব নাপায়, তেনে কৰিলে স্বামীৰ আয়ুস টুটে বুলি বিশ্বাস কৰা হয়। ধান চাউল জাৰিলে ছোৱালী আগফালে যাবলৈ নিদিয়ে, বুঢ়া দৰা পায় বুলি বিশ্বাস। ঘৰৰ ভিতৰত ছাতি ললে মানুহ চাপৰ হয় বুলি বিশ্বাস। কিছুমানে ৰাতি সাপক সাপ বুলি নকয়। ৰাতি চূণ আৰু হালধি শব্দ দুটাও উচ্চাৰণ কৰা নিষেধ। ৰাতি বা সন্ধিয়াৰ পিছত ঘৰ সৰা জাবৰ পেলাব নাপায়। ঘৰৰ পৰা কামলৈ ওলাই যোৱা মানুহক পিছফালৰপৰা মাতিব নাপায়। ভিক্ষাৰী বা অইন কাৰোবাক ধান-চাউল দিলে পাত্ৰটো একেবাৰে উদং কৰি দিব নাপায়, অলপ হ'লেও পাত্ৰত ৰৈ যাব লাগে, অন্যথা ঘৰৰ লক্ষ্মী ওলাই যায় বুলি বিশ্বাস কৰা হয়। ৰাতি

কাৰোবালৈ খোৱাবস্তু দি পঠালে ভূতে লম্ভিব বুলি বিশ্বাস কৰা হয় আৰু সেয়ে ভূত-প্ৰেতৰ পৰা পৰিত্ৰাণ পাবলৈ লগত কেইটামান জলকীয়া দিয়া নিয়ম। খাদ্য পৰিবেশন কৰোতে কেতিয়াও হাতৰ ওলোটা পিনে ঢালি দিব নালাগে। শুই থকা মানুহৰ ওপৰেৰে পাৰ হৈ যাব নাপায়। যঁজা কল বা ফল খোৱা ব্যক্তিৰ যঁজা সন্তান হয় বুলি বিশ্বাস, সেয়ে খাব নাপায়, খালেও দুজনে ভগাইহে খাব পাৰি। মাক মৰিলে সন্তানে শ্ৰাদ্ধ নোযোৱালৈ গাখীৰ খাব নাপায়। একেদৰে দেউতাক মৰিলে শ্ৰাদ্ধ নোযোৱালৈকে কল খাব নাপায়। কেঁচুৱা ল'বা-ছোৱালী কাৰোবাৰ ঘৰলৈ প্ৰথমবাৰলৈ নিলে মানুহ ঘৰে মূৰত অলপ তেল দিব লাগে, নহলে মানুহঘৰত নিগনি হয় বুলি বিশ্বাস। ঘৰৰ দুৱাৰদলিত থিয় দি থাকিব নাপায়, তেনে কৰিলে ঘৰৰ লখিমী আঁতৰি যাব বুলি বিশ্বাস কৰা হয়। ধান, চাউল, ভাত পেলাই দিলে ঘৰত লক্ষ্মীয়ে বসতি নকৰে বুলি বিশ্বাস। গৰু এৰালৰ ওপৰেদি পাৰহৈ যাব নাপায়। গৰ্ভৱতী নাৰীয়ে উপবাস দিব নাপায়। বিধবা বা সন্তানহীনা মহিলাই বিয়াৰ মাংগলিক কাৰ্যত আগভাগ লোৱা নিষেধ। ঋতুমতী মহিলাই তেল, চাবোন, প্ৰসাধন আদি ল'ব নাপায়; ফোঁট লোৱাতো কঠোৰ বাধা আৰোপ কৰা হয়। ভাদ, কাতি, পুহ আৰু চ'ত মাহত বিয়া পতা নিষেধ। শনি, মংগল আৰু বৃহস্পতিবাৰে বিয়া পতা নিষেধ। মল' মাহত (দুটা অমাৱস্যা পৰা) বিয়া পতা নিষেধ। হিন্দুসকলে পশ্চিম ফালে বা উত্তৰ ফালে মূৰদি শোৱা নিষেধ। ৰাতি তিতা খাব নাপায়। শনিবাৰ আৰু অমাৱস্যাত ঘৰৰ খুঁটা পোতা নিষেধ। পাকঘৰত শিয়াল, কুকুৰ, গাধ বা বান্দৰ সোমালে চুৱা লাগে। শৱদাহ কৰি অহা মানুহে পোনে পোনে ঘৰ সোমোৱা নিষেধ, গা ধুই জুইত গা সেকিহে সোমাব পাৰে। বাহীঘৰ, বাহী চোতাল গচকিলে পুৰুষৰ আয়ুস টুটে বুলি বিশ্বাস। গৰ্ভৱতী মহিলাৰ স্বামীয়ে কোনো জীৱ হত্যা কৰিব নাপায়। মাকে কেঁচুৱাৰ ফালে পিঠি দি শুব নাপায়, কেঁচুৱা পয়াঁ লাগে বুলি বিশ্বাস। কোনো ভাল বস্তু, গছত লাগি থকা ফলমূললৈ আঙুলি টোঁৱাই দেখুৱাব নাপায়, মুখ লাগে বুলি কয়।

অসমৰ বড়ো সমাজত প্ৰচলিত কেইটামান নিষেধাজ্ঞা ইয়াত উল্লেখ কৰা হ'ল। এই নিষেধাজ্ঞাবোৰেও সমাজ এখনৰ সকলো দিশ সামৰি লোৱাটো পৰিলক্ষিত হয়।

বৰঘৰ সজাওতে মুধৰ খুঁটাৰ দুয়োফালে ওচৰত থকা খুঁটাৰ কাণত বান্ধ দিয়াৰ নিয়ম নাই। তাকে কৰিলে ধুমুহা বতাহৰ লগত যুঁজ কৰিবলৈ সাজু হোৱা সূচায় বুলি বড়ো লোকৰ বিশ্বাস আছে। চোতালৰ মাজেদি কোৰ, কুঠাৰ কান্ধতলৈ অহা-যোৱা কৰিব নাপায়। তেনে কৰিলে পৰিয়ালৰ কোনো লোকৰ মৃত্যু ওচৰ চপা বুজায়। বড়োসকলৰ ধানখেতি ৰোৱা আৰম্ভ কৰা মানুহজন পৰিয়ালৰ এজন হ'ব লাগে। যদি এজন পুৰুষ মানুহে এই কাম আৰম্ভ কৰে, তেন্তে তেওঁ পথাৰৰ ধান ৰোৱা কাম শেষ নোহোৱা পৰ্যন্ত ডাঢ়ি-চুলি খুৰাব নাপায়, খুৰালে ধানৰ গুচি নেবাঢ়ে বুলি বিশ্বাস। বড়োসকলৰ লোকবিশ্বাস মতে তিৰোতা মানুহে শস্যশ্ৰী দৰ্শন কৰা নিষেধ। ঢেঁকীত বা উৰালত বহিব নাপায়, বহিলে এন্দুৰে ধান খায় বুলি বিশ্বাস আছে। ঢেঁকীশাল ঘৰ আৰু গোহালি ঘৰত ৰন্ধা-বঢ়া কৰিব নাপায়, পৰিয়ালৰ পৰা লক্ষ্মী এৰা দিয়ে বুলি বিশ্বাস আছে। সূৰ্য অস্ত যোৱাৰ পিছত ঘৰ-চোতাল সাৰিলে জাবৰ-জোথৰ বাহিৰত পেলোৱা নিষেধ। পৰিয়ালৰ চৌকাৰ পৰা আধাপোৰা খৰি বাহিৰত পেলাই দিব নাপায়— গৃহস্থৰ শ্ৰীহানি হয় বুলি বিশ্বাস। কঁকাল বান্ধি ভাত খাব নাপায়— লক্ষ্মীৰ লগত যুঁজ কৰিবলৈ সাজু হোৱা বুজায়। ভাত খোৱা শেষ হ'লে উঠিবৰ সময়ত খোৱা বাচনত হাতেৰে ভৰ দি উঠিব নাপায়। ভাত খোৱা সময়ত বাঁহী বজাব নাপায়, খোৱা মানুহৰ দাঁত সৰে বুলি কয়। তিৰোতা মানুহে কান্ধত ভাৰ কঢ়িওৱা, হালবোৱা, ঘৰৰ চালত উঠা, গছত উঠা, হাতীৰ পিঠিত উঠা, খৰম পিন্ধা নিষেধ। বিধৱা, বৰলা, সন্তানহীন মানুহক কেঁচুৱাৰ নাড়ী কাটিবলৈ দিয়া নহয়।

অবৈধ কাৰ্যত লিপ্ত থকা মানুহ চিকাৰলৈ যোৱা নিষেধ, জন্তুৰ আক্ৰমণৰ বলি হয় বুলি বিশ্বাস। চিকাৰত যোৱা মানুহে লগত টকা-পইচা লৈ যোৱা নিষেধ, চিকাৰৰ জন্তুৰ দেৱতাৰ সৈতে ফেৰ মাৰিবলৈ যোৱা যেন হয় বুলি বিশ্বাস। বড়োসকলৰ মতে ভাদ মাহত বগা কোমোৰা খাব নাপায়। খালে খাওঁতাজনৰ গাত চৰ্মৰোগ হ'লে আৰোগ্য নহয় বুলি বিশ্বাস আছে। একেদৰেই বহাগ মাহত বেঙেনা আৰু পানীলাউৰ আঞ্জা নেখায়। বিহুৰ দিনা হাই-কাজিয়া কৰা নিষেধ, কৰিলে পৰজন্মত গৰু হৈ জন্মিব লাগে বুলি বিশ্বাস আছে। বহাগ বিহুৰ দিনা পীৰাত বহিব নাপায়, বহিলে পিতা-মাতাৰ মূৰত বহাৰ দৰে হয় বুলি ভাবে। অম্বুবাচী বা আমতিৰ দিনকেইটাত মাটি খন্দা, গছ-গছনি কটা, গছত উঠা, ভঁৰালত উঠা নিষেধ।

অসমৰ ৰাভাসকলৰ মাজতো একেধৰণৰ অনেক নিষেধাজ্ঞাৰ প্ৰচলন আছে। তাৰে কিছু তলত সন্নিবিষ্ট কৰা হ'ল।

ৰাভাসকলে বৰঘৰৰ পূবফালৰ মুধাৰ খুঁটাত ঘৰগোসাঁনীৰ পূজা কৰে। ঘৰটোৰ দক্ষিণফালে সৰুকৈ এটা ফুটা ৰাখে। পূজাৰ সময়ত সেই ফুটাৰে ভিতৰলৈ জুমি চোৱা নিষেধ। চালে চাওঁতাৰ চকু কণা হয় বা চকুৰ বেমাৰ হয় বুলি বিশ্বাস কৰে। ঘৰৰ ভিতৰত কোনোবাই ভাত খাই থাকোতে দুৱাৰমুখত থিয়হৈ চাই থাকিব নাপায়, খাওঁতাৰ পেট ফুলে বুলি বিশ্বাস। বৰ্ণহিন্দুসকলৰ দৰেই ৰাভাসকলেও বিশ্বাস কৰে ৰাতিপুৱা পুৰুষ মানুহে বাহী চোতালত খোজ দিব নাপায়, তাকে কৰিলে তেওঁৰ আয়ুস টুটে বুলি বিশ্বাস।

চোতালৰ মাজেৰে কান্ধত কোৰ-কুঠাৰ লৈ গলে গৃহস্থৰ অমংগল হয় বুলি বিশ্বাস। ৰাভাসকলে ধানে মাছে একেলগে কাকো নিদিয়ে, দিব নাপায় বুলি মানে। একেদৰে মাৰি অনা মাছ বাটতে আনক দিব নাপায়, লক্ষ্মীয়ে এৰা দিয়ে বুলি বিশ্বাস কৰে। কৃষি কাৰ্যত ব্যৱহাৰ কৰা সঁজুলি ৰন্ধা-বঢ়া কামত খৰি হিচাপে ব্যৱহাৰ কৰিব নাপায়, সন্তানে খোজ কাঢ়োতে পলম হয় বুলি বিশ্বাস। বাৰীত লাগি থকা লাউ, কোমোৰাৰ জালিক আঙুলি টোৱাই দেখুৱাব নাপায়। তেনে কৰিলে জালিবোৰ পচি যায় বুলি বিশ্বাস। তামোল ফুলাৰ সময়ত কেঁকোৰা পুৰি খাব নাপায়, তামোলৰ মাণিক সৰে বুলি বিশ্বাস। ৰাভা কইনাই আঠমঙলা নোযোৱা পৰ্যন্ত কোনো জলাশয় পাৰ হোৱা নিষেধ। গৰ্ভৱতী তিৰোতাই সূৰ্যগ্ৰহণ, চন্দ্ৰগ্ৰহণ চাব নাপায়, চালে সন্তান কণা হ'ব পাৰে বুলি বিশ্বাস। গৰ্ভৱতী তিৰোতাৰ স্বামীয়ে যিকোনো মৰা শ চুব বা প্ৰাণী হত্যা কৰিব নাপায়। অন্যথাই মৃত সন্তানৰ পিতৃ হ'ব পাৰে বুলি বিশ্বাস। বহি থাকোতে কপালত হাত দি থাকিব নাপায়। মূৰত বা কঁকালত কাপোৰ বান্ধি ভাত খাব নাপায়। পুখুৰী, নৈ, বিল আদিৰ পানীত শৌচ বা প্ৰসাৱ কৰিব নাপায়, পানীত জল নাৰায়ণ অৱস্থান কৰে বুলি বিশ্বাস। ৰাতি সুহুৰি মৰা নিষেধ, বীৰাই পায় বুলি বিশ্বাস। গিৰিয়েকতকৈ ঘৈণীয়েকে আগতে ভাত খাব নাপায়। যঁজা ফল বা কৰ্ণ নথকা তামোল খাব নাপায়। টেঙা আৰু তিতা একেলগে খাব নাপায়। ৰাতি তিতা খাব নাপায়, পাণ চিঙিব নাপায়। চিকাৰ কৰি পোৱা পশু-পক্ষীৰ মাংস তিনি উধানৰ জুইত পুৰিব নাপায়। চিকাৰ কৰিবলৈ গৈ যাঠি জোং মাটিত খুচি থব নাপায়। পূজা নিদিয়াকৈ ডাঙৰ বিলত মাছ মাৰিব নেপায়। ৰান্ধনী ঘৰত হাই-কাঁজিয়া কৰি ৰন্ধা-বঢ়া কৰিব নাপায়। ৰাতি হালধি, চূণ, বেজি আদিৰ নাম উচ্চাৰণ কৰিব নাপায়। চৌকা, গৰু, বাঢ়নী আদি লঠিয়াব নাপায়। শনি, মঙ্গলবাৰে বাঁহ কাটিলে, বৃহস্পতিবাৰে, ৰবিবাৰে আনক ধান-চাউল, টকা-পইচা দিলে লক্ষ্মীয়ে এৰা দিয়ে বুলি বিশ্বাস, সেয়ে তেনে কাৰ্য নিষিদ্ধ।

দাৰ্শনিক ফ্ৰয়েডৰ মতে মানুহৰ অবচেতন মনত থকা দুই বিপৰীতমুখী চিন্তা, কোনো এটা অকৰণীয় কাম কৰাৰ ইচ্ছা, লগে লগে হোৱা চিন্তা, যে এনে কাম কৰা অনুচিত, এই মানসিক দ্বন্দ্বৰ পৰাই টেবুৰ উৎপত্তি। টোটেমিক জীৱ ভক্ষণ নকৰা বা সংৰক্ষণ কৰাৰ অন্তৰালতো একেধৰণৰ বিপৰীতমুখী দ্বন্দ্বৰ প্ৰভাৱ আছে বুলি ফ্ৰয়েডে কয়।

সমাজবিজ্ঞানী ৰেড্‌ক্লিফ ব্ৰাউনৰ মতে সুশৃংখলিত সমাজ এখন সুন্দৰভাৱে চলি যোৱাৰ বাবে যিবোৰ সামাজিক কৌশলৰ প্ৰয়োজন, টেবু সেই শৃংখলৰে অন্তৰ্গত। সমাজ এখন সুশৃংখলভাৱে বৰ্তি থাকিবলৈ যিবিলাক প্ৰাথমিক পৰ্যায়ৰ মূল্যবোধৰ প্ৰয়োজন টেবুয়ে তেনে মূল্যবোধ গঢ়ি উঠাত সহায় কৰে।

সাম্প্ৰতিক কালত মানৰ সমাজত প্ৰচলিত জটিল অৰ্থনৈতিক ব্যৱস্থা, আধুনিক শিক্ষাৰ প্ৰসাৰ, যোগাযোগ ব্যৱস্থাৰ উন্নতি আদিৰ লগে লগে মানুহৰ মূল্যবোধ, দৃষ্টিভংগী আদিও পৰিবৰ্তিত হৈছে। তাৰ লগে লগে পৰম্পৰাগতভাৱে চলি অহা কিছুমান নিষেধাজ্ঞা বা টেবু পালনতো শিথিলতা আহিছে। তৎসত্বেও বৰ্তমানো বিভিন্ন মানৰ সমাজত অলেখ টেবুৰ প্ৰচলন আছে আৰু আমি ক'ব পাৰো যে সমাজ একোখন বা গোষ্ঠী এটা সুশৃংখলিত ভাৱে বৰ্তি থকাত টেবুৱে এক ইতিবাচক ভূমিকা পালন কৰি আহিছে।

চুটিগল্প বুলিলেই তাৎক্ষণিকতাৰ অনুভূতি এটা থাকিব লাগে। ...... তাৎক্ষণিকতা মানে সেই গুণটো যি পাঠকক অনুভৱ কৰায় যে তেওঁ নিজেও গল্পটোৰ মাজতে আছে গল্পটো পঢ়া নাই। তাৎক্ষণিকতাৰ সঞ্চাৰ কৰিব পাৰি ঘটনাৰাজিক 'ব্যক্তিকৃত' কৰি, যেন সিবিলাক ইতিমধ্যে পৰিচয় কৰি দিয়া ব্যক্তিৰ জীৱনতেই ঘটিবলৈ লৈছে। ইয়াক সঞ্চাৰ কৰিব পাৰি আনুপংখিক বৰ্ণনাৰে যেন সিবিলাক সেই মুহূৰ্ততেই ঘটিছে।

—আই.আৰ.চামাৰ্ছ

# জনজাতীয় সমাজত দেৱী পূজা

শ্ৰীললিত চন্দ্ৰ ৰাভা
প্ৰৱক্তা, অসমীয়া বিভাগ

**অৱতৰণিকা ঃ** আমি যদি ভাৰতীয় ধৰ্মৰ ইতিহাসলৈ লক্ষ্য কৰোঁ, তেতিয়া হ'লে দেখিম যে শক্তি পূজাই ভাৰতীয় ধৰ্মীয় দৰ্শনত এক বিশেষ স্থান দখল কৰিছে। আদিম মানৱে বিশ্বাস কৰিছিল যে এক অদৃশ্য শক্তিয়ে এই জগতখন সৃষ্টি কৰিছে। এই শক্তিয়েই এই জগতখনক নিয়ন্ত্ৰিত আৰু পৰিচালিত কৰিছে। এই বিশ্বাসৰ ফলতেই এই শক্তিক এক দেৱী ৰূপত কল্পনা কৰি আদিম মানৱে পূজা কৰিবলৈ ধৰিলে। তেওঁলোকৰ বিশ্বাস যে এই দেৱীক পূজা-অৰ্চনা কৰি সন্তুষ্ট কৰিলে তেওঁৰ কৃপাত সকলো বিপদ-আপদ, দুখ-শোকৰ পৰা ৰক্ষা পাব পাৰি।

বৈদিক যুগতেই ভাৰতীয় আৰ্যসকলে শক্তিক দেৱী ৰূপে কল্পনা কৰি পূজা-অৰ্চনা কৰিছিল। ভাৰতীয় আৰ্যসকলৰ প্ৰথমখন লিখিত সাহিত্য ঋগ্বেদতে কেইগৰাকীমান দেৱীৰ কথা উল্লেখ আছে। সেইসকলৰ ভিতৰত ভাৰতী, ইলা, সৰস্বতী আৰু মহী বিশেষভাৱে উল্লেখযোগ্য। এইসকল দেৱী অগ্নিৰ দৰে প্ৰচণ্ড শক্তিৰ অধিকাৰিণী বুলি বন্দিত হৈছে। এই দেৱীসকলৰ ভিতৰত আটাইতকৈ ৰহস্যময়ী আৰু বিচিত্ৰ ৰূপিণী হ'ল সৰস্বতী। ঋগ্বেদত উল্লেখ থকা মতে এওঁ একেধাৰে নদীৰূপিণী আৰু জ্ঞানদায়িনী। তেওঁ ধনদাত্ৰী, শিক্ষয়িত্ৰী, সুৰূপা আৰু শুভ্ৰাবৰ্ণা। আকৌ তেওঁ শক্তি নিধনকাৰিণী। ঋগ্বেদৰ দেৱী সুক্তত শক্তি দেৱীৰ অমিত পৰাক্ৰমৰ কথা ব্যক্ত কৰা হৈছে। তাত দেৱীয়ে কৈছে— ব্ৰাহ্মণসকলৰ দ্বেষকাৰী অসুৰক নাশ কৰাৰ কাৰণে মই মহাদেৱৰ ধনুত গুণ সংযুক্ত কৰোঁ, মই সজ্জনৰ ৰক্ষাৰ কাৰণে সংগ্ৰাম কৰোঁ আৰু মই স্বৰ্গ-মৰ্ত্যত অন্তৰ্যামী ৰূপে প্ৰৱিষ্ট হৈছোঁ। এনেদৰে ঋগ্বেদত শক্তি দেৱীৰ স্তুতি-অৰ্চনাৰ কথা উল্লেখ থাকিলেও প্ৰকৃততে শক্তি পূজাৰ সূত্ৰপাত ঘটে পৌৰাণিক যুগত। এই পূজা প্ৰথমতে বসন্ত কালত কৰা হৈছিল। পৰৱৰ্তী কালত এই পূজা শৰৎ কালতো মহা ধুমধামেৰে পালন কৰিবলৈ লোৱা হয়। বিশেষকৈ বঙালী কবি কৃত্তিবাসৰ সময়ত এই শাৰদীয় পূজাই বিশেষভাৱে সমাদৰ লাভ কৰিবলৈ ধৰিলে। কৃত্তিবাস ওজাই বাল্মীকিৰ ৰামায়ণত নথকা এটা উপকাহিনীৰ সংযোজন কৰি দিছিল যে শ্ৰীৰামচন্দ্ৰই ৰাৱণ বধৰ আগতে শৰৎ কালত দেৱী মহামায়া দুৰ্গাৰ পূজা কৰিছিল। কিয়নো ৰাৱণ আছিল দেৱীৰ আশ্ৰিত। সেয়ে দেৱীক সন্তুষ্ট নকৰাকৈ ৰাৱণ বধৰ বৰদান নিদিয়ে। সেয়ে ৰামে অকালত দুৰ্গাপূজা কৰিছিল। এই কাহিনী প্ৰসিদ্ধ হোৱাৰ পিছত বঙ্গত দুৰ্গাপূজাই ব্যাপক সমাদৰ লাভ কৰে আৰু সি ক্ৰমে ভাৰতৰ অন্যান্য অঞ্চললৈও বিয়পি পৰে।

আনহাতে উত্তৰ-পূব ভাৰতত অৰ্থাৎ তেতিয়াৰ কামৰূপত বিভিন্ন ৰূপত এই শক্তি দেৱীক মাতৃৰূপে পূজা কৰা হৈছিল। পণ্ডিতসকলে অনুমান কৰে যে নৰকেই পোনপ্ৰথমে কামৰূপত শাক্ত ধৰ্মৰ প্ৰচলন কৰে। তাৰ আগতে কামৰূপৰ অধিবাসীসকল শিৱভক্ত আছিল। নৰকে শিৱ পূজাৰ প্ৰচলন বন্ধ কৰি কামাখ্যা দেৱীৰ প্ৰচলন কৰে। এনেদৰে নৰকৰ দ্বাৰা কামৰূপত শক্তি পূজাৰ প্ৰচলন হৈছিল।

অসমত অতি প্ৰাচীন কালৰ পৰা বিভিন্ন ৰূপত শক্তি দেৱীৰ প্ৰচলন হৈ আহিছে। যেনে— কেঁচাইখাইতী, কামাখ্যা, দুৰ্গা, গৌৰী, বুঢ়ীগোসাঁনী, মহামায়া, চামুণ্ডা, মহিষমৰ্দিনী, উগ্ৰতাৰা, ভুৱনেশ্বৰী, চণ্ডিকা, কালী, বাঘেশ্বৰী, টুক্ৰেশ্বৰী, মনসা ইত্যাদি। শেষলৈ শক্তি পূজাৰ দেৱীৰূপে দুৰ্গাই সৰ্বশ্ৰেষ্ঠ স্থান লাভ কৰে। দুৰ্গা নৱপত্ৰিকা বাহিনী। এই নৱ পত্ৰিকা হ'ল— কল, কচু, হালধি, জয়ন্তী ফুল, বেল, ডালিম, অশোক, মানকচু, ধান আৰু বগা অপৰাজিতা। এইবোৰৰ ভিতৰত দুৰ্গা হালধিৰ, কালী কচুৰ, চামুণ্ডা মানকচুৰ আৰু লক্ষ্মী ধানৰ অধিষ্ঠাত্ৰী। সেই দিশৰ পৰা দুৰ্গা, কালী, লক্ষ্মী, চামুণ্ডা আদি আটায়ে শস্যৰ লগত জড়িত।

শক্তি পূজাৰ লগত দেৱী বা মাতৃ পূজাৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। আনহাতে মাতৃৰ লগত উৎপাদিকা শক্তিৰ এৰাব নোৱাৰা সম্পৰ্ক আছে। মাতৃয়ে সন্তানৰ জন্ম দিয়ে আৰু আনহাতে পৃথিৱীৰ উৎপাদিকা শক্তিয়ে শস্যৰ জন্ম দিয়ে, বৰ্দ্ধন কৰে। গতিকে মাতৃপূজা বা দেৱীপূজা শক্তি, উৰ্বৰতা আদিৰ প্ৰতীক স্বৰূপেই আৰম্ভ হৈছে। অসমৰ জনজাতীয়সকলেও বিভিন্ন ৰূপত এই শক্তি দেৱীৰ পূজা কৰি আহিছে।

**বড়োসকলৰ দেৱী ঃ** বড়োসকলে খেৰাই পূজাত খাঁৰিয়া বুৰি, আলায় খুংগ্ৰি, বিলাই খুংগ্ৰি, ৰাঁনচণ্ডি, ৰাঁনফাগ্লি, ভাণ্ডাৰী, বাঁলি বুৰি, মাইনাও আদি কেইবাগৰাকী দেৱীক কুকুৰা-গাহৰি বলি দি কণী ভাঙি মদ অৰ্পণ কৰি পূজা কৰে। "আগৰ কালত বড়ো-কছাৰীৰ মাজত মাৰাই (মাঁৰৈ) দেৱী পূজাৰ প্ৰচলন আছিল। আজিকালিও বড়ো-কছাৰীৰ মাজত ঠাই বিশেষে এই পূজাৰ প্ৰচলন আছে। প্ৰবাদ আছে যে মাঁৰৈ পূজাত দেৱীক সন্তুষ্ট কৰিবৰ কাৰণে

নৰবলিও দিছিল। আজিকালি নৰবলিৰ ঠাইত ম'হ বলি দিয়ে।" (ভবেন নাৰ্জী ঃ বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, পৃ-১৭৫) বড়োসকলৰ মাজত 'গাৰ্জা' নামৰ সমূহীয়া পূজা পতাৰ ব্যৱস্থা আছে। বড়োসকলৰ দ্বাৰা পূজা কৰা দেৱীসকলৰ নামবোৰ হ'ল— খাঁৰিয়া বুৰি, মাওথানশ্ৰী, আখায়শ্ৰী, বৰমালী, দাঁহানশ্ৰী, মানশ্ৰী, মাওয়াবুড়ী, আয় ঠাকুৰাণী, আলায় খুংগ্ৰী, বিলায় খুংগ্ৰী, ছংৰাণী বা ছংৰাজী, ভাণ্ডাৰী, কুমাৰী, ৰণচণ্ডী বা ৰণফাগ্নি, বাঁলি বুৰি ইত্যাদি।

**ৰাভাসকলৰ দেৱী ঃ** ৰাভাসকলে প্ৰধানভাৱে পালন কৰা দেৱীৰ নাম বায়খো বা খোক্‌চি। ৰাভা ভাষাত 'বায়' মানে দেৱতা আৰু 'খো' মানে শ্ৰেষ্ঠ। (Rajen Rabha, The Rabhas, P-214) বায়খো উৎসৱ পালন কৰা হয় জেঠ মাহত। সাধাৰণতে দেওবাৰ, বুধবাৰ অথবা শুক্ৰবাৰে এই উৎসৱৰ পাতনি তৰা হয়। উৎসৱৰ প্ৰথম দিনটোক 'নক খি'থাৰ কায়' অৰ্থাৎ শুদ্ধিকৰণ বুলি কোৱা হয়। সেই দিনাখন ঘৰ-দুৱাৰ, ঘৰৰ আচবাব-পত্ৰাদি পৰিষ্কাৰ কৰা হয়, কাপোৰ-কানিবোৰ ধোৱা হয়। এটা সময়ত ওজাপালিয়ে গা-পা ধুই গীত আৰম্ভ কৰে। সন্ধিয়া ওজাপালিয়ে বাটি এটাত পিঠাগুৰি লৈ মঙ্গলসূচক গীত গাই গাঁৱৰ প্ৰত্যেকঘৰ মানুহৰ ঘৰৰ চালে চালে পিঠাগুৰি ছটিয়ায়। ৰাভাসকলে বিশ্বাস কৰে যে ঘৰৰ চালত পিঠাগুৰি দেখিলে খোক্‌চি দেৱীয়ে পূজা খাবলৈ আহিব। ঘৰত পিঠাগুৰি ছটিওৱা কাৰ্যটোক 'নক্ জুম্‌কায়' বোলা হয়। ওজাপালিয়ে পিঠাগুৰি ছটিয়াই যাওঁতে গাঁৱৰ ৰাইজক উৎসৱত ভাগ ল'বলৈ গীতৰ জৰিয়তে আহ্বান জনায়—

"ফু'ই পু'ই হাছি ছানি কুৰি চাওৰাটাংও
কুৰি ছানি চিংবা টবালাংচি
কুৰি খেৰে ছানা লাগিয়া।
চিংবা টোখা গান্দাছে পুই খেৰেছে
ছাই ৰেংয়া লাগিয়া।
চিংবা চহৰো জুম্মিছে ছা ৰাংয়া লাগিয়া
ফু'ই ফু'ই হাছি ছানি কুৰি টাংও
হাছি ছানি কুৰি টাংও।
ফু'ই ফু'ই কাকায়নি পাৰি ধুতি ছাৰাই
খেৰেণা দংবে পাৰ ধুতি মিনিনা দংও।
ফু'ই ফু'ই ঘেৰক পাছাৰি খেৰেণা দংবে
ফু'ই ফু'ই লায় পাছাৰি মিনিনা দংবে।"

অৰ্থাৎ ল'ৰা-ছোৱালীসকল আহা, আমি চাকৈ-চকোৱাৰ দৰে হাঁহি-ধেমালি কৰি খাই যাওঁ আহা। আমি কাউৰীৰ দৰে খেলি যাওঁ আহা। ৰাইজ আহা, ধুতিৰ আঁচল এৰি হাঁহি-ধেমালি কৰো আহা। আহা আহা, ঘিলা খেল খেলোঁ আহা, পথাৰত মিলি-জুলি খেলোঁ আহা।"

সেইদিনাখন ওজাপালিয়ে গোটেই নিশা 'হৈ মাৰু' গীত গায়। দ্বিতীয় দিনাখনক ভৰ বা পূজা দিন বোলা হয়। সেই দিনাখন বায়খো দেৱী আৰু অন্যান্য দেৱ-দেৱীক পূজা কৰা হয়। পূজাৰ শেষত ভোজ-ভাত খাই তেওঁলোকে গাঁৱলৈ ওভোতে। থানৰ পৰা উভতি আহোঁতে তেওঁলোকে এডাল দীঘল বনৰীয়া লতা লৈ আহে। তেওঁলোকে গাঁৱত উপস্থিত হোৱাৰ লগে লগে গাঁৱত বৈ থকা লোকসকলে ৰাস্তাত গছপুলি পুতি ৰাখি তাৰ তলত ল'ৰা-ছোৱালীবোৰক ৰাখি তেওঁলোকক বাধা দিয়ে। তেতিয়া থানত যোৱা মানুহবোৰে খাম, বাদুংদুপ্পা আদি বাদ্য বজাই গছপুলিবোৰৰ চাৰিওফালে সাতবাৰ ঘূৰি গছপুলিবোৰ ভাঙি পেলায়। এই কাৰ্যটোক 'কিল্লা দিবিকায়' অৰ্থাৎ কিল্লা ভঙা বোলা হয়। কিল্লা ভাঙোতে তেওঁলোকে গায়—

"অৰিহং অৰিহং আয়া
নামা নাই চিং চায়াচিং আয়া অৰিহং
হেৰ জামা ছাৰিয়া আয়া
নামা নায়চিং চায়াচিং আয়া অৰিহং।"

অৰ্থাৎ "হে আই আমাৰ বাহুবল চোৱা। আমি বিশ্ববিজয়ী বীৰ। আমাক অলপ পোহৰ আৰু শক্তি দিয়া, যাতে আমি পৃথিৱী জয় কৰিব পাৰো।"

কিল্লা ভঙাৰ পাছত আটায়ে গাঁৱলৈ আহি 'লেৱা বিকায়' অৰ্থাৎ লতা টনা খেলৰ প্ৰতিযোগিতা পাতে। তাৰ পিছত অৱশিষ্ট 'হৈ মাৰু' গীতখিনি গায়। অৱশ্যে এই গীতখিনি ওজাপালিয়ে নাগায়। পূৰ্বতে নিযুক্ত 'গীতালি' দুজনে এই গীতখিনি গায়। আনহাতে 'চুতলা-চুতলী' দুগৰাকীয়ে এক বিশেষ ধৰণে সাজ-পাৰ পৰিধান কৰি খামৰ তালে তালে ভেকুলিৰ দৰে জপিয়াই জপিয়াই নাচে। তেওঁলোকে বিশ্বাস কৰে যে ভেকুলিৰ দৰে নচা নাচ দেখিলে মেঘে বৰষুণ দিয়ে। চুতলা-চুতলীয়ে জিৰণি লোৱা সময়খিনিত গীতালি দুজনে হৈমাৰু গীত গায়। হৈমাৰু গীতৰ বন্দনাত বসুমতীক উৰ্বৰ হ'বলৈ প্ৰাৰ্থনা জনোৱা হয়। তাৰ পাছত দদান ৰজা আৰু মাৰুক্ষেত্ৰীৰ বীৰত্ব ব্যঞ্জক কাহিনীবোৰ গোৱা হয়। হৈমাৰু গীতৰ পৱিত্ৰতাৰ প্ৰতি অধিক গুৰুত্ব দিয়া হয়। বায়খো উৎসৱৰ বাহিৰে অইন সময়ত এই গীত গোৱা নিষেধ। আনহাতে এই গীতত কেৱল বয়সস্থ পুৰুষ মানুহে অংশগ্ৰহণ কৰিব পাৰে। ডেকা-গাভৰু বা তিৰোতা মানুহে এই গীতত অংশগ্ৰহণ কৰিব নোৱাৰে।

যিখিনি সময়ত পুৰোহিতৰ ঘৰত এনেবোৰ গভীৰ অনুষ্ঠান হৈ থাকে, সেইখিনি সময়তে কিছু দূৰত অবিবাহিত ডেকা-গাভৰুসকলে লগ লাগি একেলগে নৃত্য-গীত কৰে। এই নৃত্য-গীতক

'বায়খো ট্ৰক্‌কায়' বুলি কোৱা হয়। ৰাভা ভাষাত 'ট্ৰক্‌কায়' মানে জপিওৱা। অৰ্থাৎ বায়খো উৎসৱত মনৰ উলাহতে জপিয়াই জপিয়াই নচা নাচেই হ'ল 'বায়খো ট্ৰক্‌কায়'। দুই হাত তপিনাৰ পাছত ইজনে সিজনৰ হাতত ধৰি এখন ভৰি দাঙি আনখন ভৰিৰে জপিয়াই পুনৰ আনখন ভৰি দাঙি সিখন মাটিত পেলাই খাম-দাইদিৰ তালে তালে জপিয়াই জপিয়াই নচা হয়। কোনো ডেকা-গাভৰুৱে নানাচি থিয় হৈ থাকিলে নাচিবলৈ আহ্বান জনাই গোৱা হয়—

"জেঠ লাংগ্ৰে নায় নায়
বায়খো ট্ৰঙা নেমা
দৰে-গাবুৰ মিলি ৰি'ৱা চালে
বায়খো চাতালায়না।"

অৰ্থাৎ জেঠ মাহৰ চন্দ্ৰৰ পোহৰৰ মাজত সকলো ডেকা-গাভৰুৱে বায়খো চোতালত নাচো আহা।

এই নাচৰ লগত গোৱা গীতবোৰ প্ৰধানকৈ প্ৰেমমূলক। গোটেই বছৰটোৱে কৰ্মৰ মাজেদি পাৰ হৈ যায়। প্ৰেমিক-প্ৰেমিকাই পৰস্পৰে পৰস্পৰক নিবিড়ভাৱে লগ পোৱাৰ সুবিধা সেইবোৰ দিনত নাথাকে। সেইবাবে সকলো ডেকা-গাভৰুৱে বায়খো উৎসৱ হোৱা জেঠ মাহলৈকে অতি আগ্ৰহেৰে বাট চাই থাকে—

"আতো মাস নেমা নেমা
জেঠ মাস নেমা,
অ' সোণ মইনা নামে
আতো উনা নেমা।"

অৰ্থাৎ মাহৰ ভিতৰত জেঠ মাহটো অতিকৈ ভাল, অ' সোণ মইনা, তুমি কি ক'ব বিচাৰিছা?

কিন্তু এই ভাল মাহটো বায়খো উৎসৱত ভালপোৱা জনক নেদেখিলে হৃদয় দুখেৰে ভৰি পৰে—

"হাজাৰ গান্দা আফে নায়ামান
লাংগ্ৰে গান্দা নায়চা
নুকবাৰ কায়ো মানচাংদাংৰে চালে
মন্নান শান্তি চাংছা।"

অৰ্থাৎ হেজাৰ তৰাৰ পোহৰো চন্দ্ৰৰ পোহৰৰ সমান নহয়, ভালপোৱা জনক নাপালে মনতো শান্তি নহয়।

খোক্‌চি দেৱীক পূজা কৰাৰ উপৰিও ৰাভাসকলে কাচা খাইতী, ঘৰ গোঁসানী, ভগৱতী, বিষহৰী, জাৰীঘোঁৰা, পাৰবাঁহ আদি দেৱীৰ পূজা বিভিন্ন সময়ত কৰে।

**কাৰবিসকলৰ দেৱী ঃ** পুৰুষপ্ৰধান কাৰ্বিসকলৰ মাজত দেৱী পূজাৰ প্ৰচলন তুলনামূলকভাৱে কিছু কম। "কাৰবি সমাজত দেৱীৰ অৱস্থান পূৰ্বতে নাছিল।" (ৰংবং তেৰাং ঃ কাৰবি সাহিত্য সংস্কৃতি এভুমুকি, পৃ-৫২) তেওঁলোকৰ মাজত বৰষুণৰ দেৱীৰূপে হাঈমু, কলা-সংস্কৃতিৰ দেৱীৰূপে জহনপী আৰু শক্তি দেৱী ৰূপে ৰাছিনজাৰ পূজা কৰে। তদুপৰি তেওঁলোকে চ'জুন পূজাত লংলে-আহি-ঈ (লক্ষ্মী) আৰু হাৰাতা আম্পৰতক দেৱীৰ পূজা কৰে। বছৰৰ আৰম্ভণিতে কাৰবিসকলে বতৰৰ দেৱী হাঈমুক পূজা কৰে। এইগৰাকী দেৱীক লৈ কাৰবিসকলৰ মাজত এটা সুন্দৰ লোককথাৰ প্ৰচলন আছে। "বতৰৰ দেৱী হাঈমু আৰু মৰ্ত্যৰ প্ৰেমিক লঙৰ ব্যৰ্থ প্ৰেমৰ কথা স্মৰণ কৰিলেই দেৱীয়ে বেজাৰতে চকুলো টোকে আৰু সেয়েই বৰষুণ হৈ পৃথিৱীলৈ নামি আহে বুলি কাৰবিসকলে বিশ্বাস কৰি আহিছে।" (নিৰ্মলপ্ৰভা বৰদলৈ ঃ দেৱী, পৃ-২৮০) বহাগ-জেঠত অনুষ্ঠিত এইগৰাকী দেৱীৰ পূজা কৰি কাথাৰ বুঢ়াই এনেদৰে স্তুতি কৰে— "জিলীয়ে মাতিছে, ঠিক আমাৰ নিচিনাকৈয়ে বতৰৰ দেৱীক বৰষুণৰ কাৰণে স্তুতি কৰিছে। হে কৃপাময়ী দেৱী, প্ৰাণীসকলক ৰক্ষা কৰা।" কাৰবিসকলে কামাখ্যাৰ প্ৰতিভূ হিচাপে ৰাছিংজা দেৱীৰ পূজা কৰে। এই পূজাত দেৱীৰ প্ৰতীক হিচাপে বাঁহেৰে ত্ৰিশূল সাজি বগা কুকুৰা বলি দিয়া হয়। পূজাৰ পাছত ভোজ খোৱা হয়।

**দেউৰীসকলৰ দেৱী ঃ** দেউৰীসকলৰ প্ৰধান খেল চাৰিটা— ডিবঙীয়া, টেঙাপনীয়া, বৰগঞা আৰু পাতৰগঞা। ডিবঙীয়াসকলে 'গিৰচি', টেঙাপনীয়াসকলে 'পিচাদেমা' আৰু বৰগঞাসকলে 'পিচাচি' দেৱীৰ পূজা কৰে। অতীতত দেউৰীসকলে শদিয়াৰ তাম্ৰেশ্বৰী দেৱীৰ মন্দিৰত পূজা কৰি নৰবলি দিছিল বুলি কৰ্ণেল ডেল্টনে উল্লেখ কৰি গৈছে। আজিকালি এই নৰবলি প্ৰথা উঠি গৈছে যদিও দেৱীক সন্তুষ্ট কৰিবলৈ তেওঁলোকে হাঁহ, পাৰ, কুকুৰা, ছাগলী আদি বলি দিয়ে। "দেউৰীসকলৰ প্ৰত্যেক গোসাঁনীশালতে দেওধনী থকাটো স্বাভাৱিক। এই দেওধনীবোৰে তেওঁলোকৰ ভূত-ভৱিষ্যতৰ কথা জনাই থাকে মাজে-সময়ে।" (গণক চন্দ্ৰ দেউৰী, দেউৰীসকলৰ অতীত আৰু বৰ্তমান, অসমৰ জনজাতি, সম্পা. ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, পৃ-১০২)

**তিৱাসকলৰ দেৱী ঃ** তিৱাসকলৰ মাজত বিভিন্ন দেৱীৰ প্ৰচলন আছে। তাৰ ভিতৰত উল্লেযোগ্য দেৱীসমূহ হ'ল— বাউলী, জলকালিকা, থলকালিকা, ৰঙা-ৰাঙলী, ভগৱতী, সাত আই আদি। তিৱাসকলে পাৰ্বতীৰ প্ৰতিভূ ৰূপে বাউলী দেৱীৰ পূজা কৰে। বাউলী হ'ল কীট-পতঙ্গ, পশু-পক্ষীৰ দেৱী। সাধাৰণতে তিৱাসকলে চিকা যাত্ৰা কৰাৰ আগতে বাউলী পূজা কৰে। সেইদৰে শৰৎ কালত পথাৰৰ একোণত থাপনা পাতি এইগৰাকী দেৱীৰ পূজা কৰা হয়। পোক-পৰুৱাই যাতে শস্য নষ্ট নকৰে, তাৰ কামনা কৰি এই পূজা কৰা হয়। পূজাত মদ অৰ্পণ কৰাৰ উপৰিও গাহৰি বলি দিয়া হয়। পূজাৰ শেষত ভোজ খোৱা হয়। আনহাতে ভৈয়ামৰ তিৱাসকলৰ



Jawaharlal Nehru College Library
Estd. 1964
Boko

মাজত আই ভগৱতীৰ পূজাৰ ব্যাপক প্ৰচলন আছে। সেইদৰে বৰত পূজাত সৰস্বতী দেৱীক অৰ্চনা কৰা হয়।

**ডিমাছাসকলৰ দেৱী ঃ** ডিমাছাসকলে গাঁৱত অমঙ্গল হ'লে, মহামাৰী হ'লে হেৰেমদী দেৱীৰ পূজা কৰে। এই পূজা সাধাৰণতে সোমবাৰে বা শুক্ৰবাৰে ৰাতি কৰা হয়। পূজাত ছাগলী, কুকুৰা আদি বলি দিয়া হয়।

**গাৰোসকলৰ দেৱী ঃ** গাৰোসকলে পূজা কৰা এক দেৱী হৈছে ছুছিমে। তেওঁ ধন-সম্পদৰ দাতা আৰু আনহাতে অন্ধতা আৰু বিকলাঙ্গৰ নিবাৰক। তেওঁক চন্দ্ৰৰ ৰূপত দেখা যায়। পূজাত তেওঁক গাহৰি, মদ আদি আগবঢ়োৱা হয়। গাৰোসকলে পালন কৰা আন *এগৰাকী অপদেৱী হৈছে আছিমা ডিংছিমা। তেওঁ দেৱী ছুছিমেৰ* মাতৃ। তেওঁৰ নাম ল'ব নাপায় বুলি গাৰোসকলে বিশ্বাস কৰি আহিছে।


সহায়ক গ্ৰন্থসমূহ ঃ

১। B.K. Kakati : The Mother Goddess Kamakhya

২। S. Endle : The Kachari

৩। Major Playfair : The Garos

৪। Rajen Rabha : The Rabhas

৫। নিৰ্মল প্ৰভা বৰদলৈ ঃ দেৱী

৬। ভবেন নাৰ্জি ঃ বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি

৭। মহেশ্বৰ নেওগ ঃ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি

৮। উপেন ৰাভা হাকাচাম ঃ অসমৰ জনজাতীয় সংস্কৃতি


গদ্য মূলতঃ চিন্তাৰ বাহক। গতিকে অশেষ পৰিশ্ৰম আৰু কষ্ট স্বীকাৰ কৰিহে তাক নিখুঁত কৰি তোলা সম্ভৱ হয়। সেই কাৰণে একোজন লেখকৰ জীৱনত গদ্য-ৰীতিয়ে সদায় ক্ৰম বিৱৰ্তনৰ মাজেদিহে সম্পূৰ্ণতাৰ ফালে আগবাঢ়ে আৰু দীৰ্ঘকালৰ অবিৰাম সাধনাৰ ফলতহে একোজন লেখকৰ স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল গদ্যৰীতি উদ্ভাৱন কৰা সম্ভৱ হৈ উঠে।

—হোমেন বৰগোহাঞি

# কবিতা

## সূচীপত্র


| | | |
|---|---|---|
| মহাবিদ্যালয় সংগীত | শ্রীদিলীপ দাস | ২১ |
| বালিঘৰ | শ্রীজয়ন্ত কলিতা | ২২ |
| আধা গোৱা গীত | শ্রীপিংকু দাস | ২২ |
| জীৱন তৃষ্ণা | শ্রীদীপজ্যোতি দলৈ | ২২ |
| মই এটি জোনাকী পৰুৱা | শ্রীসনেশ্বৰ বড়ো | ২৩ |
| গছবোৰৰ পাতে পাতে | শ্রীখনিন বড়ো | ২৩ |
| আলিংগনৰ আশাত | শ্রীৰণজিৎ কলিতা | ২৩ |
| জুই | শ্রীদধী মোহন ৰাভা | ২৪ |
| দুখৰ নাও | শ্রীহীৰামণি কলিতা | ২৪ |
| সংগ্রাম | শ্রীনৱ কুমাৰ কলিতা | ২৪ |
| বিদায় বর্ষ | শ্রীৰামধন ৰাভা | ২৫ |
| সমীৰণ | শ্রীসমীৰণ ৰাভা | ২৫ |
| অকলশৰীয়া | শ্রীৰাজু কলিতা | ২৫ |
| সপোন | মিচ সোণমণি দাস | ২৬ |
| শৈশৱৰ জোন | শ্রীশিখাৰাণী ৰাভা | ২৬ |
| ফুলনি | মিচ চন্দনা শীল | ২৬ |
| মানৱতাৰ সপক্ষে | শ্রীপ্রাণ কৃষ্ণ ৰয় | ২৭ |
| আবেগ | শ্রীমণ্টু ৰাভা | ২৭ |
| নীলা বৰফ | শ্রীদীপামণি দৈমাৰী | ২৭ |
| তুমি আহিবা বুলি | মিচ বর্ণালী ৰাভা | ২৮ |
| উজাগৰী ৰাতি | শ্রীজয়শ্রী দাস | ২৮ |
| স্বাগতম | শ্রীহিতেশ্বৰ কলিতা | ২৯ |
| সূর্যমুখী ফুল, কাঁইট আৰু গোলাপ | শ্রীবসন্ত কুমাৰ দত্ত | ৩০ |

# মহাবিদ্যালয় সংগীত


শ্ৰীদিলীপ দাস
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ

হে আমাৰ শত সাধনাৰ দেৱী আলোকৰ
যাচিছোঁ প্ৰণাম তোমাক প্ৰাণৰো প্ৰাণৰ
কৃপা-নীৰে তোমাৰ কৰা ধন্য আমাক
আমি নিঃকিন যাত্ৰী আলোকৰ।

বড়ো-ৰাভা-গাৰো, হিন্দু-মুছলমান আৰু কত শত পোহৰ-প্ৰয়াসীৰ
ধন্য কৰি সপোন-সাধনা
মূৰ্ত হ'লা বকোৰ ভূমিত বোৱাই আলোৰ নিজৰা;
স্মৰণীয়, চিৰস্মৰণীয় সেই মহা উছৱৰ মহান সাক্ষী
কুৰি শতিকাৰ চন চৌষষ্ঠিৰ তিনি আগষ্ট।

হে দেৱী চিৰপূজ্য, সমুখত তোমাৰ সুউচ্চ লক্ষ্য
প্ৰাণত প্ৰেৰণা-শিখাৰ মহান আদৰ্শ
জিলিকিছে সেয়ে তোমাৰ কপাল শুৱাই
ভাৰত-ৰত্ন জৱাহৰ নাম চিৰ দীপ্তিমান।


হে দেৱী পৰমাৰাধ্যা, মাগিছোঁ ভিক্ষা
দিয়া দীক্ষা অনুপম জ্ঞান আলোকৰ
যি আলোকৰ অমৃত পৰশ লভি
বিশ্ব বন্দিত হয় আমাৰ কীৰিতি।



## বালিঘৰ

শ্ৰীজয়ন্ত কলিতা
স্নাতক ১ম বৰ্ষ (কলা)

আজি-কালি প্ৰতিটো ৰাতিয়ে
নীৰৱে তোমাৰ কথাকে কয়
পাৰ হয় ৰাতিৰ সমস্ত প্ৰহৰত
অতীতৰ অলেখ ছবি
কেতিয়াবা বহিছিলো নিজৰাৰ পাৰত
মুখৰ হৈ উঠিছিল নিজান নিজৰা
কুলু কুলু ধ্বনিৰে কথা পাতিছিল
আমাৰ লগত
বহিছিলো সেউজীয়া পাহাৰ তলিত
উৰি যোৱা এজাক চৰায়ে
জনাইছিল শুভেচ্ছা
আমি গাইছিলো প্ৰেম প্ৰতিশ্ৰুতিৰ
সুৰীয়া গীত
শেহান্তৰত সাজিব খোজা
সুখৰ ঘৰ হ'ল
সপোনৰ বালিঘৰ
অকলশৰীয়া মই
তুমি যোৱাৰ পিছত।




## আধা গোৱা গীত

শ্ৰীপিংকু দাস
স্নাতক ১ম বৰ্ষ (কলা)

কোনো এক গভীৰ নিশা
উদ্যানৰ চকীত তুমি আৰু মই
ওপৰত তৰা ভৰা জিল্‌মিল্ আকাশ
চৌদিশত বিচিত্ৰ ফুলৰ সুবাস
ৰিব্‌ৰিব্ বতাহত
প্ৰীতিৰ বান্ধোন-বাতৰি
ৰিণি ৰিণি ভাহি আহিছিল
জীৱন বাঁহীৰ সুৰ
সাৰ পাই দেখো
পুৱাৰ পোহৰত
মিলি গ'লা তুমি
গুচি গ'লা দুৰ-দুৰণিলৈ
ৰৈ ৰৈ বাজি থাকিল মনৰ মাজত
এটি আধা গোৱা গীতৰ
কৰুণ সুৰ।

## জীৱন তৃষ্ণা

শ্ৰীদীপজ্যোতি দলৈ
উঃ মাঃ ১ম বৰ্ষ (কলা)



হৃদয়ত প্ৰেমৰ অনুভূতি
তোমাক ভাল পোৱাৰ পিছতো
চৌপাশে উৰি আছে মোৰ
আকলুৱা মন
ফুলৰ সন্ধানত
তোমাৰ প্ৰেমৰ প্ৰধান প্ৰতিদ্বন্দ্বী
প্ৰতিটো ফুলৰ পাপৰি
প্ৰতিটো ফুলৰ ৰেণু
নিৰন্তৰ লাগি আছে
ফুলৰ সুবাসিত সৌৰভ
আত্মাৰ অনাবিল
অনুভূতিত।

